# অন্বেষণ

ষষ্ঠ বছৰ ■ অষ্টম সংখ্যা ■ ছেপ্টেম্বৰ, ২০১৯



## মহাকাশত চন্দ্ৰযান- ২

## ভাৰতৰ সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ আৰু জম্মু আৰু কাশ্মীৰ




জম্মু আৰু কাশ্মীৰ আৰু লাডাখ

# অন্বেষণ

**ষষ্ঠ বছৰ, অষ্টম সংখ্যা, ছেপ্টেম্বৰ ২০১৯ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰদ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

**২ মহাকাশত চন্দ্ৰযান-২**
- অভিজিত শৰ্মা বৰুৱা

**৫ দেশ-বিদেশৰ খবৰ**
- কুশল গোস্বামী

**১০ খবৰৰ লেছেৰি বোটলা**
- কুশল গোস্বামী

**১১ চতুৰ্থৰপৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

**১৬ শিক্ষাগুৰুসকললৈ শ্ৰদ্ধাৰে...**
- অপৰ্ণা দেৱী

**১৮ গুহাৰ বাগিচা**
- বিনয় বিকাশ গগৈ

**১৯ ভাৰতৰ সংবিধানৰ ৩৭০ নং অনুচ্ছেদৰ বিলুপ্তি**
- ৰুণিমা শৰ্মা

**২১ কুইজ**
- হিৰণ্য কলিতা

**২২ অভিযন্তা দিৱসৰ আঁৰৰ মানুহজন**
- ইজ্জা চাইমি চহৰীয়া

**২৩ পাহৰণিৰ গৰ্ভত বিলীন হ'বলৈ ধৰা কেইটামান কৃষিভিত্তিক পৰ্ব**
- ধ্ৰুৱ শৰ্মা

**২৫ পুথিভঁৰালৰ পুথি অধ্যয়ন টোকা**

**২৬ চুড'কু**

**২৭ সাগৰৰ অঘৰী**
- জিতা গগৈ

**২৮ এক ডজন মৌলৰ আৱিষ্কাৰক**
- ৰাণু বুজৰবৰুৱা

**২৯ মানসিক সামৰ্থ্য বিকাশ**
- ৰবীন্দ্ৰ বৰ্মন

**৩০ বাংগাছৰ নুমলীয়া নাতি**
- অলকা গোস্বামী

**৩১ এনিমেছনৰ ইতিহাস**
- জিৰি বৰ্মন

**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, দীপক কোচ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : প্ৰকাশ দত্ত
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**মূল্য** : বিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰদ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰদ্বাৰা মুদ্ৰিত।*

# মহাকাশত চন্দ্ৰযান-২

■ অভিজিত শৰ্মা বৰুৱা

ভাৰতৰ মহাকাশ গৱেষণা সংস্থাই (ISRO) কেবাটাও কৃত্ৰিম উপগ্ৰহ মহাকাশলৈ নিক্ষেপ কৰিলেও ভাৰতৰ চন্দ্ৰ অভিযানৰ ক্ষেত্ৰত প্ৰথম পদক্ষেপ আছিল চন্দ্ৰযান-**১**। **২০০৮** চনৰ **২২** অক্ট'বৰত অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ 'সতীশ ধাৱান স্পেচ চেণ্টাৰ'ৰ উৎক্ষেপণ কেন্দ্ৰৰপৰা চন্দ্ৰযান-১ক উৎক্ষেপণ কৰা হৈছিল। তাৰ পাছত **২০১৯** চনৰ **২২** জুলাইত ভাৰতে চন্দ্ৰলৈ দ্বিতীয়টো অভিযান চলাই চন্দ্ৰযান-২ক মহাকাশলৈ নিক্ষেপ কৰে। চন্দ্ৰযান-২ৰ বিষয়ে আলোচনা কৰাৰ আগতে চন্দ্ৰযান-**১**ৰ বিষয়েও দুই-এটা কথা আকৌ মনত পেলাই লোৱা ভাল হ'ব।



## চন্দ্ৰযান-১

চন্দ্ৰযান-**১** অভিযানত প্ৰায় **৩৮৬** কোটি টকা খৰচ হৈছিল। চন্দ্ৰযান-**১**ৰ দুবছৰীয়া পৰিক্ৰমাত ই চন্দ্ৰপৃষ্ঠৰ জৰীপ সম্পূৰ্ণ কৰা, ত্ৰিমাত্ৰিক ভূস্থানিক মানচিত্ৰ তৈয়াৰ কৰিব পৰাকৈ তথ্য সংগ্ৰহ কৰা, চন্দ্ৰত থাকিব পৰা ৰাসায়নিক পদাৰ্থবোৰৰ সম্পৰ্কে জনা, চন্দ্ৰৰ মেৰু অঞ্চলৰ সম্ভাব্য 'বৰফ'ৰ সম্পৰ্কত তথ্য আহৰণ কৰা আদি কাম সম্পন্ন কৰাৰ কথা আছিল। আমাৰ অসমৰে এজন সুসন্তান ড° জিতেন্দ্ৰনাথ গোস্বামী এই অভিযানৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ আছিল।

চন্দ্ৰযান-**১** অভিযানৰ সময়ছোৱাত কেইজনমান সন্মানীয় ভাৰতীয় লোকে কেইটামান প্ৰশ্ন তুলিছিল। এই অভিযানৰ কালছোৱাত চন্দ্ৰৰ ওপৰত ভাৰতৰ ত্ৰিৰংগা অংকিত যি প্ৰ'ব নিক্ষেপ কৰা হৈছিল, ছোভিয়েট ৰাছিয়াই তেনে প্ৰ'ব (লুনা-২) নিক্ষেপ কৰিছিল **১৯৫৯** চনৰ **১২** ছেপ্টেম্বৰত। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এপ'ল'-**১১** অভিযানৰ সময়ত **১৯৬৯** চনৰ **২০** জুলাইত নীল আৰ্মষ্ট্ৰঙে চন্দ্ৰপৃষ্ঠত প্ৰথমবাৰৰ বাবে খোজ পেলাইছিল। তাৰো প্ৰায় দুকুৰি বছৰ পাছতহে ভাৰতে নিজাববীয়াকৈ চন্দ্ৰ অভিযান আৰম্ভ কৰিছে আৰু তাকো মানৱবিহীন মহাকাশযান পঠিয়ায়! এয়া বাৰু অৰ্থহীন কথা নহয়নে? এই কামত প্ৰায় **৩৮৬** কোটি টকা খৰচ কৰাৰ যুক্তি আছেনে? ভাৰতৰ মহাকাশ গৱেষণা সংস্থাই এনে প্ৰশ্নসমূহৰো উত্তৰ দিবলগীয়া হৈছিল। তেতিয়াই কোৱা হৈছিল যে চন্দ্ৰৰ বিষয়ে যথেষ্ট কথা এতিয়াও জানিবলৈ বাকী আছে, আৰু চন্দ্ৰত থাকিব পৰা ৰাসায়নিক পদাৰ্থবোৰৰ চিনাক্তকৰণ আৰু অন্যান্য তথ্যবোৰৰ আৱিষ্কাৰে ভাৰতক আৰ্থিকভাৱেও লাভান্বিত কৰিব পাৰে। চন্দ্ৰ সম্পৰ্কত অধিক অনুসন্ধান তথা গৱেষণাৰ যে প্ৰয়োজন আছে, সেই বিশ্বাস সুদৃঢ় কৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশ গৱেষণা সংস্থা—নাছা, ইউৰোপিয়ান স্পেচ এজেন্সি আৰু বুলগেৰিয়ান এৰ'স্পেচ এজেন্সিয়ে চন্দ্ৰযান-**১**ৰ যোগেদি তথ্য আহৰণ কৰিবৰ বাবে তেওঁলোকৰো কেইটামান সঁজুলি মহাকাশলৈ পঠিয়াইছিল। চন্দ্ৰযান-**১**এ ভাৰতৰ নিজস্ব পাঁচবিধ সঁজুলিৰ লগতে তেওঁলোকৰো ছবিধ সঁজুলি কঢ়িয়াই নিছিল। চন্দ্ৰযান-**১**ৰ সফল উৎক্ষেপণে বিশ্বৰ মহাকাশ গৱেষণাৰ ক্ষেত্ৰখনত ভাৰতক এক সন্মানজনক আসন দিছিল। এই প্ৰসংগত প্ৰাক্তন ৰাষ্ট্ৰপতি আব্দুল কালামে কৈছিল যে চন্দ্ৰত স্থাপিত ত্ৰিৰংগী পতাকাই ভৱিষ্যতে চন্দ্ৰৰ কিছু

অংশ আৰু তাৰ ৰাসায়নিক সম্পদৰ ওপৰত আমাৰ অধিকাৰ সাব্যস্ত কৰিব।

**২০০৯** চনৰ **২৯** আগষ্টত চন্দ্ৰযান-**১**ৰ লগত নিয়ন্ত্ৰণ কক্ষৰ সংযোগ বিচ্ছিন্ন হৈ যায়। অৰ্থাৎ চন্দ্ৰযান-**১**লৈ খবৰ পঠিওৱা আৰু তাৰপৰা তথ্য অহাটো বন্ধ হৈ পৰে আৰু এই যানখন 'বোবা-ক'লা'ৰ দৰে হৈ পৰে। অৱশ্যে ইছৰ'ৰে জনোৱা মতে চন্দ্ৰযান-**১**এ ইতিমধ্যেই পঠিয়াবলগীয়া সমূহ তথ্যৰ প্ৰায় **৯৫** শতাংশ তথ্য যোগান ধৰিলে। সেই হিচাপত ই বেছ সফল অভিযানেই আছিল।

## চন্দ্ৰযান-২

চন্দ্ৰযান-**২** হ'ল ভাৰতৰ দ্বিতীয়টো চন্দ্ৰ অভিযান। এই অভিযানৰ বিশেষত্ব হ'ল যে এই যানখন চন্দ্ৰযানৰ এনে এক স্থানত ইয়াৰ লেণ্ডাৰ আৰু ৰোভাৰক অৱতৰণ কৰাব, য'লৈ এতিয়ালৈকে কোনো দেশৰে কোনো মহাকাশযান যোৱা নাই। গতিকে এই অভিযানৰ যোগেদি প্ৰাপ্ত তথ্যৰ আধাৰত বিজ্ঞানীসকলে চন্দ্ৰক অধিক বুজি পাব পাৰিব।

পৃথিৱীৰ আদিম ইতিহাস জনাৰ ক্ষেত্ৰত চন্দ্ৰ হ'ল আটাইতকৈ উপযুক্ত আহিলা। চন্দ্ৰৰ ভূভাগৰ সবিশেষ বিশ্লেষণে চন্দ্ৰৰ উৎপত্তি কেতিয়া, কেনেকৈ হৈছিল, পৃথিৱীৰ লগত ইয়াৰ সম্পৰ্ক কি আছিল, সেইবোৰ নিশ্চিত কৰি তুলিব পাৰে। চন্দ্ৰযান-**১**এ চন্দ্ৰত পানী থকাৰ কথা জানিবলৈ দিছিল। পাছে এই তথ্যৰ অতিৰিক্ত বিশ্লেষণ আৰু পানী যদি আছিল, ক'ত, কেনেকৈ আছিল, সেইবোৰ কথাৰ অনুসন্ধান কৰিব চন্দ্ৰযান-**২**য়ে। মুঠতে চন্দ্ৰযান-**২**য়ে এক আচহুৱা ঠাইত অৱতৰণ কৰি আৱিষ্কাৰৰ এক নতুন দিশ উন্মুক্ত কৰি দিব পাৰে।

চন্দ্ৰৰ দক্ষিণ মেৰু বিশেষভাৱে গুৰুত্বপূৰ্ণ কাৰণ ইয়াৰ পৃষ্ঠভাগ উত্তৰ মেৰুৰ তুলনাত বহু বেছি সময় আন্ধাৰ হৈ থাকে। ইয়াৰ স্থায়ীভাৱে আন্ধাৰ হৈ থকা অংশত পানী পোৱাৰ সম্ভাৱনা বেছি। দক্ষিণ মেৰু অঞ্চলত কিছুমান গভীৰ গাঁত আৰু জ্বালামুখী আছে। এইবোৰ যথেষ্ট শীতল। ইয়াৰ বিশ্লেষণৰ দ্বাৰা সৌৰ জগতৰ আদিম সময়ছোৱাৰ এতিয়ালৈকে অজ্ঞাত কিছু তথ্য আৱিষ্কৃত হোৱাৰ সম্ভাৱনা আছে।

চন্দ্ৰযান-**২**ৰ মূল অংশ তিনিটা—চন্দ্ৰ কক্ষপথীয় যান (Lunar Orbiter), লেণ্ডাৰ আৰু ৰোভাৰ। লেণ্ডাৰখনৰ নাম দিয়া হৈছে—বিক্ৰম আৰু ৰোভাৰ যানখনৰ নাম 'প্ৰজ্ঞান' ৰখা হৈছে। প্ৰজ্ঞান ৰোভাৰ হ'ল ছটা চকাযুক্ত আৰু কৃত্ৰিম বুদ্ধিমত্তাৰে চলিব পৰা এখন যান। এইবোৰৰ ভিতৰত কক্ষপথীয় যানখনে এবছৰৰ বাবে চন্দ্ৰৰ কক্ষপথত ঘূৰি থাকিব। অৱশ্যে এই সময়সীমা দুবছৰলৈও বৃদ্ধি পাব পাৰে। বিক্ৰম লেণ্ডাৰ আৰু প্ৰজ্ঞান ৰোভাৰ—দুয়ো **১৪** দিন বা তাতকৈ কম সময়ৰ বাবে কাৰ্যক্ষম হৈ থাকিব। কক্ষপথীয় যানখনৰ ওজন **৬৮২** কিল'গ্ৰাম, বিক্ৰম লেণ্ডাৰৰ ওজন **৬২৬** কিল'গ্ৰাম আৰু প্ৰজ্ঞান ৰোভাৰৰ ওজন **২৭** কিল'গ্ৰাম।

## আগৰ কিছু কথা

**২০০৭** চনৰ **১২** নৱেম্বৰত ৰাছিয়ান ফেডাৰেল স্পেচ এজেন্সি ৰ'চ্‌কচমচ (Roscomos) আৰু ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছ'ৰৰে (ISRO) মহাকাশ গৱেষণাৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে এখন চুক্তিপত্ৰত স্বাক্ষৰ কৰে। এই চুক্তিমতে তেওঁলোকে ভাৰতৰ প্ৰস্তাৱিত মহাকাশযান চন্দ্ৰযান-2ৰ ক্ষেত্ৰত একেলগে আৰু সহযোগিতাৰে কাম কৰাৰ সিদ্ধান্ত ল'লে। ইছৰ'ৰে কক্ষপথীয় যান (অৰবিটাৰ) আৰু ৰোভাৰ নিৰ্মাণৰ দায়িত্ব ল'লে। ৰ'চ্‌কচমচে ক'লে যে তেওঁলোকে লেণ্ডাৰখন নিৰ্মাণ কৰিব। **২০০৮** চনৰ **১৮** ছেপ্টেম্বৰত ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেবিনেটৰ এখন সভাত এই প্ৰকল্পত অনুমোদন জনোৱা হ'ল।

যদিও ইছৰ'ৰে চন্দ্ৰযান-**২**ৰ মূল যান, তাত থাকিবলগীয়া সঁজুলিসমূহ নিৰ্দিষ্ট সূচীমতেই চূড়ান্ত কৰিলে, তথাপি আন কিছু কাম সময়মতে সম্পন্ন নোহোৱা বাবে এই অভিযান **২০১৩** চনৰ জানুৱাৰি মাহলৈ আৰু তাৰ পাছত **২০১৬** চনলৈকে পিছুৱাই দিয়া হ'ল। তাৰ মূল কাৰণ আছিল ৰাছিয়াই লেণ্ডাৰ যানখন সময়মতে সাজু কৰাত ব্যৰ্থ হৈছিল। এই সময়তে ৰ'চ্‌কচমচে মংগল গ্ৰহলৈ পঠিওৱা 'ফ'বছ-গ্ৰাণ্ট মিছন' ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে লেণ্ডাৰখন


সাজু কৰাত অসমৰ্থতা প্ৰকাশ কৰিলে (কাৰণ ‘ফবছ-গ্ৰাণ্ট মিছন’ৰ কাৰিকৰী জ্ঞান চন্দ্ৰৰ লেণ্ডাৰখনতো প্ৰয়োগ কৰাৰ কথা আছিল।)। তাৰ পাছত ভাৰতে নিজাকৈয়ে লেণ্ডাৰখনৰ ডিজাইন কৰা আৰু নিৰ্মাণ কৰাৰ সিদ্ধান্ত ল’লে আৰু তেনেকৈ সেইখন সাজু কৰাও হ’ল।

ইয়াৰ পিছতো বিভিন্ন কাৰিকৰী আৰু প্ৰযুক্তিগত অসুবিধাৰ বাবে চন্দ্ৰযান-২ৰ উৎক্ষেপণৰ তাৰিখ **২২** জুলাইলৈ পিছুওৱা হ’ল। শেষত **২২** জুলাইৰ ভাৰতীয় সময়মতে **১৪-৪৩** বজাত (**০৯-১৩** ইউ টি চি) ‘সতীশ ধাৱান স্পেছ চেণ্টাৰ’ৰ উৎক্ষেপণ কেন্দ্ৰৰপৰা ‘জি এছ এল ভি এম কে III এম **১**’ উৎক্ষেপকে তাৰ প্ৰথমটো উৰণত চন্দ্ৰযান-২ক মহাকাশলৈ লৈ যায়।

চন্দ্ৰযান-২ অভিযানৰ এক উদ্দেশ্য হ’ল লেণ্ডাৰক নিখুঁতভাৱে অৱতৰণ কৰোৱা আৰু চন্দ্ৰৰ পৃষ্ঠত এক ৰবটিক ৰোভাৰ যান চলা-ফুৰা কৰোৱাত ভাৰতৰ সামৰ্থ্য প্ৰদৰ্শন কৰা। আনহাতে এই অভিযানৰ বৈজ্ঞানিক লক্ষ্য হ’ল—চন্দ্ৰৰ পৃষ্ঠৰ সংযুতি আৰু গঠনৰ অধ্যয়ন, খনিজ দ্ৰব্য, মৌলিক পদাৰ্থ ক’ত কিমান আছে, চন্দ্ৰৰ বহিৰ্মণ্ডল, চন্দ্ৰত থাকিব পৰা হাইড্ৰ’ক্সিল মূলক, পানী বা বৰফ সম্পৰ্কত অনুসন্ধান কৰা। এই অভিযানত মুঠ খৰচ পৰিছে **৯৭৮** কোটি টকা।

### উৎক্ষেপণৰ পাছত

উৎক্ষেপকে চন্দ্ৰযান-২ক পৃথিৱীৰ কক্ষপথৰ এক সুনিৰ্দিষ্ট কক্ষপথত স্থাপন কৰাৰ পাছত চন্দ্ৰযান-২য়ে তাত থকা ‘অন-ব’ৰ্ড’ প্ৰপালছন’ৰ সহায়ত তাৰ কক্ষপথৰ ব্যাসাৰ্ধ ক্ৰমে বঢ়াই গ’ল। এই কক্ষপথ পাছে উৎকেন্দ্ৰিক (Eccentric) আছিল। মানে কক্ষপথৰ এটা মূৰ যদি পৃথিৱীৰ ওচৰত, আনটো মূৰ পৃথিৱীৰপৰা বহু



দূৰত। **৩** আগষ্টত বিক্ৰম লেণ্ডাৰত থকা L14 কেমেৰাই ভূপৃষ্ঠৰ প্ৰথম ফটো তুলি নিয়ন্ত্ৰণ কক্ষলৈ প্ৰেৰণ কৰে। সেয়া আছিল উত্তৰ আমেৰিকাৰ ভূখণ্ডৰ ফটো। এনেকৈ **২২** দিনৰো বেছি সময় পাৰ হৈ যোৱাৰ পাছত আন কেইটামান ৰকেটৰ জ্বলনৰ সহায়ত কক্ষপথ অধিক বঢ়োৱা হ’ল আৰু **১৩** আগষ্টত তাক পৃথিৱীৰপৰা সৰ্বাধিক দূৰত্বৰ কক্ষপথৰ বিন্দুৰপৰা চন্দ্ৰফালে ঠেলি পঠিওৱা হ’ল।

**২০১৯** চনৰ **২০** আগষ্টত চন্দ্ৰযান-২য়ে চন্দ্ৰৰ কক্ষপথত সোমোৱাৰ এক কঠিন কাম সম্পূৰ্ণ কৰে। এই কাম কৰিবলৈ তাক **১৭৩৮** ছেকেণ্ড লাগিছিল। চন্দ্ৰযান-২ক প্ৰথমতে চন্দ্ৰৰপৰা সৰ্বোচ্চ **১৮০৭২** কিল’মিটাৰ আৰু সৰ্বনিম্ন **১১৪** কিল’মিটাৰ দূৰত্বৰ এক উপবৃত্তীয় কক্ষপথত স্থাপন কৰা হৈছিল। **২১** আগষ্টত আকৌ এক ‘অন-ব’ৰ্ড প্ৰপালছন’ পদ্ধতি প্ৰয়োগ কৰি কক্ষপথৰ পৰিৱৰ্তন কৰা হ’ল। এই কক্ষপথ হ’ল চন্দ্ৰৰপৰা সৰ্বাধিক **৪৪১২** কিল’মিটাৰ আৰু সৰ্বনিম্ন **১১৮** কিল’মিটাৰ দূৰত্বৰ আন এক উপবৃত্তীয় কক্ষপথ। এনেকৈ চন্দ্ৰৰ কক্ষপথৰ ব্যাস কমাই অনা হ’ব আৰু সকলো ঠিকে ঠাকে থাকিলে বিক্ৰম লেণ্ডাৰে ৰোভাৰ সহ অহা **৭** ছেপ্টেম্বৰত চন্দ্ৰত অৱতৰণ কৰিব। ❖

## চুড়’কু আগষ্ট, ২০১৯ৰ শুদ্ধ উত্তৰ দিওঁতাসকল

**চতুৰ্থ শ্ৰেণী :** চিন্ময় তালুকদাৰ (গ), চব্ৰিনা ৰহমান (গ), ত্ৰিবেণী শইকীয়া (খ)। **পঞ্চম শ্ৰেণী :** প্ৰজ্বলিতা বড়া (ঘ), মধুস্মিতা দাস (গ), অনুভূতি শৰ্মা (খ)। **ষষ্ঠ শ্ৰেণী :** ৰাজশ্ৰী ডেকা (খ), ডিম্পী চৌধুৰী (ক), সুমন কাকতি (ঘ), বেদান্ত শৰ্মা (ঘ), গীতাৰ্থ শৰ্মা (গ)। **সপ্তম শ্ৰেণী :** চিম্পী ডেকা (গ), উপাসনা দত্ত (ঘ), লিচা পাঠক (খ), হিয়াশ্ৰী দাস (খ), প্ৰজ্ঞান বৰুৱা (ঘ), প্ৰিয়াংশী বৰ্মন (খ), অভিস্পা চৌধুৰী (ঘ), ভাস্বতী বেজবৰুৱা (খ)। **অষ্টম শ্ৰেণী :** মাধুৰ্য জয়ন্ত কলিতা (ক)। **নৱম শ্ৰেণী :** বিশাল কলিতা (ঘ), মহাশ্ৰমণ শৰ্মা বৰদলৈ (ঘ)। **দশম শ্ৰেণী :** সিদ্ধাৰ্থ দত্ত (ক)। ❖

## বিশিষ্ট ভাষাবিদ তথা শিক্ষাবিদ টাবুৰাম টাইদৰ বিয়োগ



এই বৰ্ষৰ ১৭ আগষ্টত বিশিষ্ট ভাষাবিদ তথা শিক্ষাবিদ অধ্যাপক টাবুৰাম টাইদৰ গুৱাহাটীত মৃত্যু হয়। লখিমপুৰ জিলাৰ ঘুণাসুঁতিত জন্ম লাভ কৰা ভাষাবিদ-গৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৭ বছৰ। উত্তৰ লখিমপুৰৰ ঘুনাসুঁতিৰ ওৰেঙিয়া গাঁৱত ১৯৪২ চনৰ ১ আগষ্টত জন্মলাভ কৰা টাইদে প্ৰাথমিক শিক্ষা ঘুনাসুঁতিতে লাভ কৰিছিল। ১৯৬৬ চনত দিল্লী বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰি তেওঁ ঘিলামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতাৰে কৰ্ম জীৱনৰ পাতনি মেলে। ইংলেণ্ডৰ লণ্ডন বিশ্ববিদ্যালয়ৰপৰা দূৰ শিক্ষাৰ প্ৰশিক্ষণ বিষয়ত পাঠ্যক্ৰম সম্পূৰ্ণ কৰি তেওঁ পৰৱৰ্তী সময়ত ঘিলামৰা কলেজ, ধেমাজি কলেজ আদিত অধ্যাপনা কৰি ১৯৬৭ চনত কটন কলেজত যোগদান কৰে। প্ৰাথমিক শিক্ষাৰ উপসঞ্চালক, উচ্চ শিক্ষাৰ সঞ্চালক, ছেবাৰ অধ্যক্ষ আদি বিভিন্ন পদত দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰি তেওঁ ২০০৪ চনত চৰকাৰী চাকৰিৰপৰা অৱসৰগ্ৰহণ কৰে। বিভিন্ন পৰিষদ, বিশ্ববিদ্যালয় আদিৰ সদস্য হিচাপে সেৱা আগবঢ়োৱা ভাষাবিদগৰাকী মিচিং সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল।

বিশিষ্ট শিক্ষাবিদগৰাকীয়ে ৰচনা কৰা কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে 'লিংগুইষ্টিক অব্ দা তিবেতো-বাৰ্মান এৰিয়া', 'এ ডিকচিঅ'নেৰী অব্ দা মিচিং লেংগুৱেজ', 'বাণীকান্ত কাকতি, দা মেন এণ্ড হিজ ৱৰ্কছ', 'পোমান মোমান', 'মিচিং ভাষাৰ বানান পদ্ধতি', 'একুঁৰি নিবন্ধ', 'গ্লীম্পচেছ', 'এন ইনট্ৰোডাকচন টু মিচিং ফনোলজি এণ্ড গ্ৰামাৰ', 'দা ছিডুৰেলড ট্ৰাইবছ অব্ আচাম' ইত্যাদি।

নিজৰ সৃষ্টিৰাজিৰ স্বীকৃতি স্বৰূপে তেওঁ সাহিত্য অকাডেমিৰপৰা ২০১০ চনত 'ভাষা সন্মান পুৰস্কাৰ' লাভ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি তেওঁ ভাষাচাৰ্য, অসম চৰকাৰৰ চুকাফা বঁটা, আনন্দৰাম বৰুৱা বঁটা, বাসুদেৱ জালান বঁটা আদিৰ দৰে বিভিন্ন বঁটাৰে সন্মানিত হৈছিল।


## প্ৰাক্তন বৈদেশিক মন্ত্ৰী সুষমা স্বৰাজৰ দেহাৱসান



এই বৰ্ষৰ ৬ আগষ্ট তাৰিখে ভাৰতৰ প্ৰাক্তন বৈদেশিক মন্ত্ৰী, জনপ্ৰিয় তথা বিচক্ষণ ৰাজনীতিক সুষমা স্বৰাজৰ ৬৭ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৫২ চনৰ ১৪ ফেব্ৰুৱাৰিত হাৰিয়ানাৰ আম্বালা কেণ্টনমেণ্টত জন্ম লাভ কৰা সুষমা স্বৰাজে আইনৰ স্নাতক ডিগ্ৰী লৈ ১৯৭৩ চনত উচ্চতম ন্যায়ালয়ৰ অধিবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। ১৯৭০ চনত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সদস্যা হিচাপে ৰাজনীতিত যোগদান কৰা স্বৰাজে ১৯৭৭ চনত ২৫ বছৰ বয়সত হাৰিয়ানাৰ বিধানসভালৈ নিৰ্বাচিত হয়। ১৯৮০ চনত ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰা সুষমা স্বৰাজে সাতবাৰ লোকসভালৈ নিৰ্বাচিত হোৱাৰ উপৰি ১৯৯০ চনত ৰাজ্যসভালৈ নিৰ্বাচিত হয়। ১৯৯৮ চনত তেওঁ দিল্লীৰ প্ৰথম মহিলা মুখ্যমন্ত্ৰী হিচাপে সেৱা আগবঢ়োৱাৰ পিছত ২০০০ চনৰপৰা ২০০৪ চনলৈ তেওঁ অটল বিহাৰী বাজপেয়ী মন্ত্ৰীসভাত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ, সংসদীয় পৰিক্ৰমা তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০০৯ চনৰপৰা ২০১৪ চনলৈ তেওঁ লোকসভাত বিৰোধী দলৰ নেত্ৰীৰ দায়িত্ব পালন কৰাৰ পিছত ২০১৪ চনত নৰেন্দ্ৰ মোডী মন্ত্ৰীসভাত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী হিচাপে নিযুক্ত হয়।

বৈদেশিক মন্ত্ৰী হিচাপে তেওঁ **২০১৪** চনৰ জুলাই মাহত ৪৪ গৰাকী নাৰ্ছক ইৰাকত আইছিছ্‌ৰ কবলৰপৰা মুকলি কৰি আনিবলৈ সক্ষম হৈছিল। লগতে ‘অপাৰেশ্বন ৰাহত’ৰ জৰিয়তে য়েমেনৰ ৪ হাজাৰ ভাৰতীয়ক দক্ষতা আৰু কূটনীতিৰে বোমাবৰ্ষণৰপৰা ৰক্ষা কৰিবলৈ সক্ষম হৈছিল।

## ভাৰতৰ প্ৰাক্তন বিত্তমন্ত্ৰী অৰুণ জেটলীৰ দেহাৱসান



প্ৰাক্তন কেন্দ্ৰীয় বিত্তমন্ত্ৰী, ভাৰতীয় জনতা পাৰ্টিৰ জ্যেষ্ঠ নেতা অৰুণ জেটলীৰ এই বৰ্ষৰ **২৪** আগষ্ট তাৰিখে **৬৬** বছৰ বয়সত দেহাৱসান ঘটে। ভাৰতীয় ৰাজনীতিৰ উজ্জ্বল ব্যক্তিত্ব, বিজেপিৰ ‘ৰাজনৈতিক চাণক্য’ অৰুণ জেটলীৰ জন্ম হৈছিল **১৯৫২** চনৰ ডিছেম্বৰ মাহত নতুন দিল্লীত। ছেণ্ট জেভিয়াৰ্ছ বিদ্যালয়ত শিক্ষা আৰম্ভ কৰা জেটলীয়ে আইনৰ ডিগ্ৰী গ্ৰহণ কৰি **১৯৭৭** চনত উচ্চতম ন্যায়ালয়ত ওকালতিৰে কৰ্মজীৱন আৰম্ভ কৰে। **১৯৮৯** চনত ভি পি সিং চৰকাৰৰ কাৰ্যকালত ভাৰতৰ অতিৰিক্ত ছ'লিচিটৰ জেনেৰেলৰূপে নিযুক্তি পোৱা জেটলীয়ে **১৯৯১** চনত ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰিছিল। **১৯৯৯** চনত প্ৰথম এন ডি এ চৰকাৰত জেটলীয়ে তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী হিচাপে কাৰ্যভাৰ চম্ভালে। **২০০০** চনত তেওঁ কেন্দ্ৰীয় কেবিনেটত আইন মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰে।

জেটলীয়ে **২০১৪** চনত নৰেন্দ্ৰ মোডী মন্ত্ৰীসভাত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী হিচাপে যোগদান কৰি একেৰাহে পাঁচ বছৰ দক্ষতাৰে সেৱা আগবঢ়াইছিল। বিমুদ্ৰাকৰণ, জি এছ টি বলবৎ, ডিজিটেল লেনদেন আদি তেওঁৰ কাৰ্যকালৰ উল্লেখযোগ্য অৰ্থনৈতিক সংস্কাৰৰ পদক্ষেপ। নিজৰ বাক্‌পটুতা আৰু উদাৰপন্থী চিন্তা-চৰ্চাৰে সকলোৰে হৃদয় জয় কৰিবলৈ সক্ষম হোৱা জেটলীৰ অকাল বিয়োগ দেশৰ বাবে অপূৰণীয় ক্ষতি।

## প্ৰধানমন্ত্ৰী মোডীক সংযুক্ত আৰব আমিৰ শ্বাহী আৰু বাহৰেইনৰ সৰ্বোচ্চ সন্মান

এই বৰ্ষৰ **২৪** আগষ্ট তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক সংযুক্ত আৰব আমিৰ শ্বাহীৰ সৰ্বোচ্চ অসামৰিক সন্মান ‘অৰ্ডাৰ অৱ্ জায়েদ’ প্ৰদান কৰা হয়। দুয়োখন দেশৰ মাজত গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক সম্পৰ্ক গঢ়াত সক্ৰিয় ভূমিকা লোৱাৰ স্বীকৃতি স্বৰূপে তেওঁক দেশখনৰ যুৱৰাজ শ্বেইখ মহম্মদ বিন জায়েদ নাহিয়িনে এই সৰ্বোচ্চ সন্মান প্ৰদান কৰে।

তদুপৰি যোৱা **২৫** আগষ্টত প্ৰধানমন্ত্ৰী মোডীক বাহৰেইনৰো ৰাষ্ট্ৰীয় সৰ্বোচ্চ অসামৰিক সন্মান ‘কিং হামাদ অৰ্ডাৰ অৱ্ দি ৰেনেছাঁ’ বঁটা প্ৰদান কৰা হয়। উপসাগৰীয় দেশৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰাত লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ স্বীকৃতি স্বৰূপে প্ৰধানমন্ত্ৰীক এই সন্মান আগবঢ়োৱা হয়। ৰাজধানী মানামাত প্ৰধানমন্ত্ৰী মোডীক বাহৰেইনৰ ৰজা হামাদ বিন ইছা অল খলিফাই এই সন্মান প্ৰদান কৰে।

## ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা : ‘হেল্লাৰো’ শ্ৰেষ্ঠ ছবি




এই বৰ্ষৰ **৯** আগষ্ট তাৰিখে ভাৰতৰ **৬৬** সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা ঘোষণা কৰা হয়। এই বৰ্ষত গুজৰাটী ভাষাত নিৰ্মিত ছবি ‘হেল্লাৰো’ৱে শ্ৰেষ্ঠ চলচ্চিত্ৰৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। চলচ্চিত্ৰখনৰ কাহিনী তথা পৰিচালনা অভিষেক শ্বাহৰ। ‘উৰি-দা ছাৰ্জিকেল ষ্ট্ৰাইক’ নামৰ চিনেমাখনৰ বাবে পৰিচালক আদিত্য ধৰে শ্ৰেষ্ঠ পৰিচালকৰ সন্মান লাভ কৰে। একেখন ছবিত কৰা অনবদ্য অভিনয়ৰ বাবে বিকি কৌশলে শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰিবলৈ সক্ষম

হয়। তেওঁৰ সৈতে যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ অৰ্জন কৰিবলৈ সক্ষম হয় ‘আন্ধাধুন’ নামৰ ছবিখনৰ অভিনেতা আয়ুষ্মান খুৰানাই। আনহাতে ‘মহানতী’ নামৰ চলচ্চিত্ৰখনত কৰা দুৰ্দান্ত অভিনয়ৰ বাবে কীৰ্তি সুৰেশে শ্ৰেষ্ঠা অভিনেত্ৰীৰ বঁটা লাভ কৰে। তদুপৰি কানাড়া ভাষাত নিৰ্মিত কথাছবি ‘অন্দালা এৰাডালা’ই শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় সংহতিৰ সন্মান লাভ কৰে।

তদুপৰি এই বৰ্ষৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত তিনিগৰাকী মহিলা ছবি নিৰ্মাতাই অসমলৈ গৌৰব কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। তেওঁলোক হৈছে ক্ৰমে ৰীমা দাস, মঞ্জু বৰা আৰু ববী শৰ্মা বৰুৱা। ভিলেজ ৰকষ্টাৰ্চখ্যাত পৰিচালিকা ৰীমা দাসৰ ‘বুলবুল কেন ছিং’ ছবিখনে অসমীয়া ভাষাৰ শ্ৰেষ্ঠ চলচ্চিত্ৰৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছে।

আঞ্চলিক ভাষাৰ ছবিৰ শিতানত এই বৰ্ষত আন দুগৰাকী অসমীয়া মহিলা পৰিচালকে পুৰস্কাৰ পাবলৈ সক্ষম হৈছে। প্ৰসিদ্ধ কথাশিল্পী য়েছে দৰজে ঠংচিৰ দুখন উপন্যাসৰ আধাৰত অৰুণাচলৰ দুটা ভাষাত নিৰ্মাণ কৰা দুখন ছবিয়ে ‘ৰজত কমল’ বঁটা লাভ কৰিছে। ইয়াৰে এখন হ’ল পাংচেনপা ভাষাৰ মঞ্জু বৰা পৰিচালিত ‘ইন দি লেণ্ড অব্ পইজন উইমেন’। লেখক ঠংচিৰ ‘বিষকন্যাৰ দেশত’ নামৰ অসমীয়া ভাষাৰ উপন্যাসখনৰ আধাৰত ছবিখন নিৰ্মাণ কৰা হৈছে। লগতে অৰুণাচলৰ শ্বেৰডুকপেন ভাষাত ববী শৰ্মা বৰুৱাই পৰিচালনা কৰা মিচিং’ নামৰ ছবিখনেও শ্ৰেষ্ঠ আঞ্চলিক ভাষাৰ ছবিৰ ৰজত কমল বঁটা লাভ কৰে।

## মধুমিতা হাজৰিকা চাইপ্ৰাছৰ উচ্চায়ুক্ত নিযুক্ত



যোৱা **২** আগষ্ট তাৰিখে কেন্দ্ৰীয় চৰকাৰে মধুমিতা হাজৰিকাক চাইপ্ৰাছৰ উচ্চায়ুক্ত হিচাপে নিযুক্তি প্ৰদান কৰে। বৰ্তমান তেওঁ কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ যুটীয়া সচিবৰ দায়িত্ব পালন কৰি আছে। বৰ্তমান চাইপ্ৰাছত ভাৰতৰ উচ্চায়ুক্ত হিচাপে আৰ কে ৰাঘৱনে **২০১৭** চনৰপৰা সেৱা আগবঢ়াই আহিছে। উল্লেখযোগ্য যে **১৯৯৯** চনৰ আই. এফ. এছ. কেডাৰৰ বিষয়া মধুমিতা হাজৰিকাই সদ্যহতে ছাংহাই কোঅ’পাৰেশ্বন অৰ্গনাইজেশ্বনৰ ৰাষ্ট্ৰীয় সমন্বয়ক হিচাপেও সেৱা আগবঢ়াই আহিছে। ইউৰোপিয়ান ইউনিয়নৰ অধীনত থকা চাইপ্ৰাছ হৈছে ভূমধ্য সাগৰৰ মাজত থকা এখন দ্বীপৰাষ্ট্ৰ।

## ৰবীশ কুমাৰলৈ ৰমণ মেগছেছে বঁটা



এন ডি টিভিৰ সাংবাদিক ৰবীশ কুমাৰক **২০১৯** বৰ্ষৰ ৰমণ মেগছেছে বঁটা আগবঢ়োৱা হৈছে। এছিয়া মহাদেশৰ ন’বেল হিচাপে বিবেচিত হোৱা এই বৰ্ষৰ ৰমণ মেগছেছ বঁটা ৰবীশ কুমাৰৰ সৈতে মুঠতে পাঁচজন সাংবাদিকক ভিন ভিন শিতানত প্ৰদান কৰা হৈছে। কুমাৰৰ উপৰি মেগছেছে বঁটা লাভ কৰিবলৈ সক্ষম হোৱা আন লোকসকল হৈছে ক্ৰমে ম্যানমাৰৰ ক’ ছুৱে উইন, থাইলেণ্ডৰ অংখনা নীলাপজিৎ, ফিলিপিনছৰ ৰেইমুণ্ডু পূজান্তে কেয়াবয়াব আৰু দক্ষিণ কোৰিয়াৰ কিম জন কী।

জনগণৰ কণ্ঠ প্ৰতিধ্বনিত কৰা তথা সাহসী, তথ্যসমৃদ্ধ অথচ সংযমী, শুদ্ধ বাতৰি পৰিৱেশনত বিশেষ পেছাদাৰী দক্ষতাৰ বাবে ৰবীশ কুমাৰক এই সন্মানীয় বঁটাৰ বাবে নিৰ্বাচিত কৰা বুলি বঁটা প্ৰদানকাৰী ৰমণ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

## ভাৰত বিশ্বৰ সপ্তম স্থানৰ অৰ্থনীতিলৈ অৱনমিত

বিশ্ব বেংকে প্ৰস্তুত কৰা যোৱা বছৰৰ মুঠ ঘৰুৱা উৎপাদনৰ (জি ডি পি) তালিকাত ভাৰত সপ্তম স্থানলৈ অৱনমিত হয়। এই তালিকা তথা মূল্যায়ন অনুসৰি

বৰ্তমান ভাৰত হৈছে বিশ্বৰ সপ্তম স্থানৰ অৰ্থনীতি। যোৱা বৰ্ষত (২০১৮ চন) ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি)ৰ পৰিমাণ আছিল ২.৭২ লাখ কোটি ডলাৰ। ভাৰতক এটা স্থান পিছ পেলাই ফ্ৰান্সে বিশ্ব অৰ্থনীতিত ষষ্ঠ স্থান দখল কৰে। বিশ্বৰ বিশেষজ্ঞসকলৰ মতে অৰ্থনৈতিক বিকাশৰ গতি ধীৰ হৈ পৰা আৰু আমেৰিকান ডলাৰৰ তুলনাত বাৰম্বাৰ ভাৰতীয় মুদ্ৰাৰ অৱনমন হোৱাৰ বাবেই ২০১৭ চনৰ তুলনাত এইবাৰ ভাৰত পিছ পৰিছে।

তদুপৰি ২০১৭ চনৰ দৰে ২০১৮ চনতো ২০.৫ লাখ কোটি ডলাৰ জি ডি পিৰে আমেৰিকা যুক্তৰাষ্ট্ৰই শীৰ্ষ স্থান দখল কৰে। আমেৰিকাৰ পাছতে ১৩.৬ লাখ কোটি ডলাৰ জি ডি পিৰে চীন দ্বিতীয় স্থানত থকাৰ বিপৰীতে ৪.৯ লাখ ডলাৰ জি ডি পিৰে জাপানে তৃতীয় স্থান দখল কৰে। লগতে ৩.৯ লাখ কোটি ডলাৰ জি ডি পিৰে জাৰ্মানীয়ে চতুৰ্থ স্থান আৰু ২.৮২ লাখ কোটি ডলাৰ জি ডি পিৰে ইংলেণ্ডে পঞ্চম স্থান দখল কৰে। ষষ্ঠ স্থানৰ ফ্ৰান্সৰ জি ডি পি হৈছে ২.৭৭ লাখ কোটি মাৰ্কিন ডলাৰ।

## খেলৰ বাতৰি

### লাভলিনাৰ স্বৰ্ণপদক



অসমৰ লাভলিনা বৰগোহাঁয়ে ৰাছিয়াৰ কাছপিয়াকছত অনুষ্ঠিত মেগোমেত ছালাম উমাখানভ আন্তঃৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতাত স্বৰ্ণ পদক লাভ কৰিবলৈ সক্ষম হয়। যোৱা ৩ আগষ্টত অনুষ্ঠিত মহিলাৰ ৬৯ কেজি শাখাৰ ফাইনেলত লাভলিনাই চমকপ্ৰদ খেলেৰে ইটালীৰ এছুটা কেনফ'ৰাক পৰাস্ত কৰি স্বৰ্ণপদক দখল কৰে। ইণ্ডিয়ান অ'পেনত ৰূপৰ পদক বিজয়ী লাভলিনাৰ আন্তঃৰাষ্ট্ৰীয় বক্সিং ক্ষেত্ৰখনত এই বৰ্ষৰ এইটো প্ৰথম স্বৰ্ণপদক।

### বিশ্ব শ্বটপুটত টুনলাই নাজাৰীৰ স্বৰ্ণ পদক



এই বৰ্ষৰ ১৩ আগষ্টত চীনৰ চেংডুত অনুষ্ঠিত বিশ্ব পুলিচ এণ্ড ফায়াৰ গেমছত অসমৰ টুনলাই নাৰ্জাৰীয়ে স্বৰ্ণপদক লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ২০ অসম পুলিচ বেটেলিয়নৰ টুনলাই নাৰ্জাৰীয়ে শ্বটপুট শিতানত দৰ্শনীয় প্ৰদৰ্শন দাঙি ধৰি এই সাফল্য অৰ্জন কৰে। কোকৰাঝাৰ জিলাৰ ঘিলাগুৰি দোতমা গাঁৱৰ জীয়ৰী টুনলায়ে ১২.৮৭ মিটাৰ থ্ৰ' কৰি স্বৰ্ণপদক দখল কৰে।

### ভাৰতীয় হকী দলৰ সাফল্য

জাপানৰ টকিঅ'ত অনুষ্ঠিত অলিম্পিক টেষ্ট হকী শৃংখলাত ভাৰতীয় পুৰুষ হকী দলে চেম্পিয়নৰ খিতাপ দখল কৰে। যোৱা ২১ আগষ্টত অনুষ্ঠিত খেলত ভাৰতে নিউজিলেণ্ডক ৫-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হয়। নৱনিযুক্ত ভাৰতীয় অধিনায়ক হৰমনপ্ৰীত সিঙৰ নেতৃত্বত এয়া প্ৰথম আন্তঃৰাষ্ট্ৰীয় বৃহৎ প্ৰতিযোগিতা জয়।

আনহাতে, জাপানৰ হিৰোশ্বিমাত অনুষ্ঠিত অলিম্পিক টেষ্ট চেম্পিয়নশ্বিপত ভাৰতীয় মহিলা হকী দলে এছিয়াৰ চেম্পিয়ন জাপানক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ আগতে ভাৰতে অতি শক্তিশালী চীনক ছেমি ফাইনেলত পৰাজিত কৰি ফাইনেল খেলত প্ৰৱেশ কৰিছিল।

### বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপত সিন্ধুৰ স্বৰ্ণ পদক

যোৱা ২৫ আগষ্টত ছুইজাৰলেণ্ডৰ বাছেলত অনুষ্ঠিত বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপ প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতৰ পি ভি সিন্ধুৱে স্বৰ্ণপদক জয়



কৰিবলৈ সক্ষম হয়। মহিলাৰ ছিংগলছৰ ফাইনেলত সিন্ধুৱে জাপানৰ নজ'মি অকুহাৰাক **২১-৭, ২১-৭** পইণ্টত পৰাজিত কৰি ইতিহাস ৰচনা কৰে। মাত্ৰ **৩৮** মিনিটত খিতাপ জয় কৰি সিন্ধুৱে এই প্ৰতিযোগিতাৰ **৪২** বছৰীয়া ইতিহাসত স্বৰ্ণ পদক লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে সন্মানিত হয়। ইয়াৰ পূৰ্বে **২৪** বছৰীয়া সিন্ধুৱে **২০১৭, ২০১৮** বৰ্ষৰ সংস্কৰণত ৰূপৰ পদক তথা **২০১৩** আৰু **২০১৪** চনৰ সংস্কৰণত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। বিশ্ব চেম্পিয়নশ্বিপৰ ইতিহাসত এইবাৰ ভাৰতীয় শ্বাটলাৰে দুটা পদক দখল কৰিবলৈ সমৰ্থ হৈছে। এইবাৰ সিন্ধুৰ উপৰি বি ছাই প্ৰণীতে পুৰুষৰ ছিংগলছত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

## ২০১৯ বৰ্ষৰ জুলাই আৰু আগষ্ট মাহত বিদ্যালয়ৰ পুথিভঁৰালত সংযোজিত হোৱা কিতাপৰ তালিকা

**(তালিকাত কিতাপসমূহৰ বিষয়ে 'কিতাপৰ নাম/লিখকৰ নাম/প্ৰকাশক/বিষয়/কিতাপৰ সংখ্যা' —এই অনুক্ৰমত উল্লেখ কৰা হৈছে।)**

- **নদী আৰু মানুহ**/ড° অৰনী কুমাৰ ভাগৰতী/চন্দ্ৰ প্ৰকাশ/ভূগোল/০৪
- **অসমৰ ভূগোল**/ড° অৰনী কুমাৰ ভাগৰতী/চন্দ্ৰ প্ৰকাশ/ভূগোল/০৩
- **সাহিত্য আৰু জীৱন**/ড° ৰূপশ্ৰী গোস্বামী/অসম বুক ট্ৰাষ্ট/প্ৰবন্ধ/**০১**
- **বিজ্ঞান লেখকৰ হাতপুথি**/সম্পাদক : ড° দীনেশ চন্দ্ৰ গোস্বামী/অসম বুক হাইভ/হাতপুথি/**০১**
- **গেলিলিঅ'ৰ জীয়েক**/ড° দীনেশ চন্দ্ৰ গোস্বামী/অসম বুক ট্ৰাষ্ট/জীৱনী/**০১**
- **বিজ্ঞানৰ বৰ্ণময় জগত**/ড° দীনেশ চন্দ্ৰ গোস্বামী/অসম বুক ট্ৰাষ্ট/বিজ্ঞান/**০১**
- **হৰেন্দ্ৰ নাথ কলিতা** : আৱাহনত প্ৰকাশিত গল্প আৰু জীৱন আৰু কৃতি/সম্পাদক : ড° ৰূপশ্ৰী গোস্বামী/সাৰস্বত/গল্প/**০১**
- **সংস্কৃত পাঠচয়নম**/অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ/মণি মাণিক প্ৰকাশ/সংস্কৃত/**০১**
- **মহানায়ক লাচিত বৰফুকন**/জগদীন্দ্ৰ ৰায় চৌধুৰী/চন্দ্ৰ প্ৰকাশ/উপন্যাস/**০১**
- **Biology for class XI**/NCERT/NCERT/Biology/01
- **Biology for class XII**/NCERT/NCERT/Biology/01
- **Siksha : Pratham Barshik**/AHSEC/Namrata Prakashan/Education/01
- **Siksha : Dwitiya Barshik**/AHSEC/Santi Prakashan/Education/01
- **A Textbook of Education**/Lakshahira Das/Madhubonti/Education/01
- **Education : Textbook for H.S. Second Year**/AHSEC/Arunodoi Prakashan/Education/01
- **Education : Textbook for H.S. First Year**/AHSEC/Jyoti Prakashan/Education/01
- **First Step to Satistics : Including Mathematic Portion**/Dibyojyoti Bhattacharjee & Kingshuk Adhikari/Kalyani Publishers/Statistics/01 ❖

# খবৰৰ লেছেৰি বোটলা

**(২১ জুলাই, ২০১৯ ৰপৰা ২০ আগষ্ট, ২০১৯লৈ)**

২২ **জুলাই** : ভাৰতৰ চন্দ্ৰযান-২ অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাত থকা সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰপৰা সফলতাৰে উৎক্ষেপণ কৰা হয়।

- চতিয়াৰ অনুপ হাজৰিকাই মি. এছিয়া খিতাপ দখল কৰে। **২০১৮** বৰ্ষত তেওঁ মি. ইণ্ডিয়াৰ খিতাপ অৰ্জন কৰিছিল।

২৩ **জুলাই** : ক্ৰিকেট টেষ্ট ৰেংকিঙত বিৰাট কোহলিৰ পুনৰ শীৰ্ষস্থান দখল।

২৪ **জুলাই** : গুৱাহাটী লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰপৰা ইয়াংগুণ, হানয়, কুৱালালামপুৰ আৰু কাঠমাণ্ডুলৈ পোনপটীয়া বিমান সেৱা আগবঢ়াবলৈ কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে।

২৫ **জুলাই** : ভাৰতৰ সংসদে তথ্য জনাৰ অধিকাৰ (সংশোধনী) আইনত অনুমোদন জনায়।

২৬ **জুলাই : ৭৬** বছৰীয়া বি এছ য়েডুৰাপ্পাই কৰ্ণাটকৰ মুখ্যমন্ত্ৰী হিচাপে (চতুৰ্থবাৰৰ বাবে) শপত গ্ৰহণ কৰে।

- কেন্দ্ৰীয় চৰকাৰে দেশত দুটা সময় মণ্ডল (টাইম জ'ন) সৃষ্টি নকৰাৰ সিদ্ধান্ত সংসদত ঘোষণা কৰে।

২৭ **জুলাই** : পৰৱৰ্তী বৰ্ষৰ 'খেলো ইণ্ডিয়া যুৱ মহোৎসৱ' গুৱাহাটীত অনুষ্ঠিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে।

২৮ **জুলাই** : হিমালয়ৰ পাদদেশত অৱস্থিত **১৩** খন ৰাজ্যই কেন্দ্ৰীয় চৰকাৰক পৃথক 'হিমালয়ান ৰাজ্য মন্ত্ৰালয়' বিচাৰি দাবী জনায়।

৩০ **জুলাই** : সংসদে তিনি তালাক বিধেয়ক গৃহীত কৰে।

৩১ **জুলাই** : মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিশিষ্ট শিল্পীদ্বয় ক্ৰমে দুলাল ৰয় আৰু আৰতি দাস বৈৰাগীক **২০১৯** বৰ্ষৰ 'নটসূৰ্য ফণী শৰ্মা বঁটা' প্ৰদান কৰে।

- সোণাই সমষ্টিৰ বিজেপি বিধায়ক আমিনুল হক লস্কৰ বিনাপ্ৰতিদ্বন্দ্বিতাৰে অসম বিধানসভাৰ উপাধ্যক্ষ নিৰ্বাচিত হয়।

**১ আগষ্ট** : বিশ্বত্ৰাস সন্ত্ৰাসবাদী হামাজা বিন লাডেনৰ মৃত্যু হয়।

**৬ আগষ্ট** : ৰবি শাস্ত্ৰীক ভাৰতীয় ক্ৰিকেট দলৰ পৰৱৰ্তী মুখ্য প্ৰশিক্ষক হিচাপে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে নিযুক্তি দিয়ে।

**১০ আগষ্ট** : ছোনিয়া গান্ধী ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ নতুন সভানেত্ৰী হিচাপে নিৰ্বাচিত হয়।

**১১ আগষ্ট** : আৱাহন থিয়েটাৰৰ প্ৰযোজক কৃষ্ণ ৰয়ক অসম সাহিত্য সভাই জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰে।

**১৩ আগষ্ট** : বিশিষ্ট শিল্পী ভবেন বৰাক অসম চৰকাৰে 'শোণিত কোঁৱৰ গজেন বৰুৱা বঁটা' প্ৰদান কৰে।

**১৬ আগষ্ট** : উত্তৰ-পূৰ্বাঞ্চলত ভাৰতীয় সংবিধানৰ **৩৭১** অনুচ্ছেদ (বিশেষ সুবিধাৰ ৰাজ্য) বাহাল থাকিব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

**১৭ আগষ্ট** : জম্মু-কাশ্মীৰ সমস্যাটো ভাৰত আৰু পাকিস্তানৰ দ্বিপাক্ষিক সমস্যা বুলি ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে ঘোষণা কৰে।

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভূটানত **৭২০** মেগাৱাট মেংগাডেছু জলবিদ্যুৎ প্ৰকল্প উদঘাটন কৰে। তেওঁ ভূটানৰ লগত **১০** খন চুক্তি সম্পাদন কৰে।

**১৮ আগষ্ট** : চেক গণৰাজ্যত অনুষ্ঠিত মুকলি দৌৰ প্ৰতিযোগিতাৰ **৩০০** মিটাৰ শাখাত অসমৰ হিমা দাসে স্বৰ্ণ পদক দখল কৰে।

**১৯ আগষ্ট** : কবি নীলমণি ফুকনক ডিব্ৰুগড় বিশ্ববিদ্যালয়ে 'ডি লীট' উপাধি প্ৰদান কৰে।

- দিল্লীৰ দ্বাৰকাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাৰ্বি-ডিমাচা ভৱনৰ আধাৰশিলা স্থাপন কৰে।

**২০ আগষ্ট** : ড° প্ৰতাপজ্যোতি সন্দিকৈয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য হিচাপে দায়িত্ব গ্ৰহণ কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

## চতুৰ্থৰপৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# নীলা তিমি

**ছায়াস্মিতা বৈশ্য**



নীলা তিমি বিশ্বৰ সবাতোকৈ ডাঙৰ প্ৰাণী। ইয়াৰ ওজন প্ৰায় ২০০ টন। নীলা তিমি দীঘলে ২৫ মিটাৰ পৰ্যন্ত হয়। প্ৰতিদিনে ইহঁতক প্ৰায় ৪ টন খাদ্যৰ প্ৰয়োজন হয়। প্ৰায় সকলো মহাসাগৰতে কম-বেছি পৰিমাণে নীলা তিমি থাকে। ইহঁতে অকলে বা সৰু সৰু গোটত মহাসাগৰত বাস কৰে। ইহঁতে প্ৰতি ঘণ্টাত প্ৰায় ২২ কিল'মিটাৰ পৰ্যন্ত বেগেৰে সাঁতুৰিব পাৰে। নীলা তিমিয়ে অতি উচ্চস্তৰৰ শব্দৰ সৃষ্টি কৰিব পাৰে। এই শব্দ প্ৰায় ১৬০ কিমি. দূৰলৈকে শুনা যায়। এনেদৰে তীব্ৰ শব্দ সৃষ্টি কৰি সিহঁতে আন নীলা তিমিক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে। প্ৰতি দুই বা তিনি বছৰৰ মূৰে মূৰে মাইকী নীলা তিমিয়ে পোৱালি জন্ম দিয়ে। জন্মৰ সময়ত পোৱালি প্ৰায় ৭ মিটাৰ দৈৰ্ঘ্যৰ আৰু ২,৭০০ কেজি পৰ্যন্ত ওজনৰ হয়। নীলা তিমিৰ জীৱনকাল ৮০ ৰপৰা ৯০ বছৰ। ❖

# বৈদ্যুতিক ইল



বৈদ্যুতিক ইল প্ৰধানকৈ দক্ষিণ আমেৰিকাৰ আমাজান নদীত পোৱা যায়। দেখিবলৈ সাপৰ নিচিনা হ'লেও আচলতে ইহঁত মাছহে। বৈদ্যুতিক ইল এনেকুৱা এবিধ মাছ যিয়ে বিদ্যুৎ উৎপাদন কৰিব পাৰে। এই মাছবিধ সেমেকা, বোকাময় পানীত বাস কৰে যদিও ইহঁতে উশাহ-নিশাহ ল'বলৈ প্ৰতি ১০ মিনিটৰ মূৰে মূৰে বামলৈ উঠি আহে। ইহঁত দীঘলে প্ৰায় ২.৫ মিটাৰ। ইহঁতৰ দৃষ্টিশক্তি অতি কম। দেহত উৎপন্ন হোৱা বিদ্যুতৰ সহায়ত ইহঁতে চাৰিওফালে চাব পাৰে আৰু চিকাৰ বিচাৰিব পাৰে। চিকাৰৰ অৱস্থানৰ উমান পোৱাৰ পিছত চিকাৰক বশ কৰিবলৈ ইহঁতে শক্তিশালী বৈদ্যুতিক শ্বকৰ প্ৰয়োগ কৰে। বৈদ্যুতিক ইল ২২ বছৰ পৰ্যন্ত জীয়াই থাকে। ❖

## চতুৰ্থৰপৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| **ফুলৰ নাম** | | **মাছৰ নাম** | |
| তগৰ | : crape jasmine | কান্ধুলি | : grey feathered back |
| অপৰাজিতা | : butterfly pea | মিছামাছ | : prawn |
| কঠনা/কাঠাণ্ডা | : pinwheel | তোৰা/তুৰি | : striped spiny eel |
| নয়নতৰা | : periwinkle | জাপানী কাৰৈ | : tilapia |
| ৰজনীগন্ধা | : tube rose | মাগুৰ | : walking catfish |
| কপৌ | : foxtail orchid | চন্দা | : glass perchlet |
| সূৰ্যমুখী | : sunflower | চেনীপুঠি | : olive barb |
| কৃষ্ণচূড়া | : gulmohar; flamboyant tree | শিঙি | : stinging catfish |
| এজাৰ | : queen crape myrtle | শ'ল | : stripped snakehead |
| বকুল | : bullet wood | মিৰিকা | : mrigel |
| কৰবী | : oleander | বৰিয়লা | : jaya |
| জবা | : hibiscus | বেচা | : rainbow gaurami |
| গধূলি গোপাল | : four o'clock flower | ভাঙোন | : white labeo |
| নাৰ্জী | : marigold | বামী | : spined eel |
| গুটিমালী | : spanish jasmine | নাৰ | : yellow tail mullet ❖ |

## অসমীয়া খণ্ড-বাক্য

**চুইহে নিকিলোৱা** (অকল হাতেৰে চুই কিলাবলৈহে বাকী, অৰ্থাৎ বৰকৈ গালি-শপনি দিয়া) : গিলাছটো ভঙাৰ বাবে হোটেলখনৰ মালিকে কাম কৰা ল'ৰাটোক কেৱল চুইহে নিকিলালে।

**ছেগা-চোৰোকাকৈ** (ঠায়ে ঠায়ে, মাজে মাজে) : আমাৰ নাট্যমঞ্চত ছেগা-চোৰোকাকৈ বহুকেইখন নাটক মঞ্চস্থ হৈ থাকে।

**জল জল পট পট** (স্পষ্টকৈ ওলাই থকা) : তই এতিয়া দোষ নাই কৰা বুলি ক'লে নহ'ব নহয়; তোৰ কুকীৰ্তি জল জল পট পটকৈ ওলাই আছে।

**জলা কলা কৰা** (বৰকৈ আহুকাল বা আমনি কৰা) : অবাধ্য ল'ৰাটোৱে মাক-দেউতাকক বৰকৈ জলা-কলা কৰিছে দেই !

**জাঙুৰ খাই উঠা** (খং কৰি উঠা) : মই কামটো কৰিবলৈ আহুকাল পোৱা বুলি কৈছিলোহে, দেউতা একেবাৰে জাঙুৰ খাই উঠিল। ❖

## তলৰ ছবি দুখন চিনাক্ত কৰাঁ।





# অসমৰ ফল



**নগাটেঙা** : ইংৰাজী নাম : Bayberry, বৈজ্ঞানিক নাম : *Myrica esculenta*

নগাটেঙা হৈছে অসমৰ কিছুমান ঠাইত পোৱা এবিধ মধ্যমীয়া উচ্চতাৰ গছ। প্ৰায় **২০** ৰপৰা **২৫** ফুট ওখ এই গছজোপাৰ কাণ্ড কোমল আৰু ই বাম মাটিত ভালকৈ বাঢ়ে। গছজোপাৰ পাতবোৰ দীঘলে প্ৰায় **২০** ছেণ্টিমিটাৰ আৰু বহলে **৩** ৰপৰা **৫** ছেণ্টিমিটাৰ হয়। এই গছৰ ফুলবোৰ নৱেম্বৰ-ডিছেম্বৰ মাহত ফুলে। সৰু সৰু ফুলবোৰৰ ৰং বগা-সেউজীয়া। নগাটেঙা ফলটো গোলাকাৰ আৰু খহুৰা। ফলটো মাৰ্চ-এপ্ৰিল মাহত পকে। পকা ফলৰ সোৱাদ টেঙা। কেঁচাতে সেউজীয়া ৰঙৰ এই ফলটো পকিলে পাতল হালধীয়া বা পাতল গুলপীয়া ৰং লয়। ফলটোৰ ভিতৰভাগ ৰসাল কোঁহেৰে ভৰা। ❖

**নৰা বগৰী** : ইংৰাজী নাম : Garden Plum, বৈজ্ঞানিক নাম : *Prunus domestica*

নৰা বগৰী অসমৰ প্ৰায় সকলো ঠাইতে পোৱা যায়। নৰা বগৰী গছ সাধাৰণতে বাম মাটিত হয়। **১০** ৰপৰা **১২** ফুট ওখ এই গছৰ পাত দীঘলে **৪** ৰপৰা **৬** ছেণ্টিমিটাৰ আৰু বহলে **২** ৰপৰা **৩** ছেণ্টিমিটাৰ। এই গছৰ ফুল বগা, সৰু সৰু। ফুলবোৰ ব'হাগ মাহত ফুলে আৰু ফল আহাৰ মাহত পকে। ফল প্ৰায় গোলাকাৰ। কেঁচা অৱস্থাত ফলটোৰ ৰং সেউজীয়া-হালধীয়া আৰু পকিলে ৰঙচুৱা আৰু কিছু পৰিমাণে ক'লা বৰণ লয়। ইয়াৰ সোৱাদ মিঠা। ফলটোৰ ভিতৰত এটা টান খহটা গুটি থাকে। ❖

**বহঁত বা চাম** : ইংৰাজী নাম : Monkey fruit/Monkey jack/Barhar, বৈজ্ঞানিক নাম : *Artocarpus lacucha*

সাধাৰণতে বাম ঠাইত হোৱা বহঁত গছ হৈছে এবিধ ডাঙৰ প্ৰজাতিৰ গছ। ইয়াৰ কাণ্ড কোমল। গছজোপা **৪০** ৰপৰা **৫০** ফুট ওখ হয়। এই গছৰ পাতবোৰ উপবৃত্তাকাৰ আৰু দীঘলে **১০** ৰপৰা **৩০** ছেণ্টিমিটাৰ আৰু বহলে **৪** ৰপৰা **১৫** ছেণ্টিমিটাৰ। ফলটো কোমল, ওখোৰা-মোখোৰা আৰু ৰসাল। কেঁচা অৱস্থাৰপৰাই ফলটোৰ ৰং হালধীয়া। ভিতৰ অংশ কমলা বা ৰঙা ৰঙৰ হয়। ফল ব'হাগ-জেঠ মাহত পকে। অসমৰ প্ৰায় সকলো ঠাইতে এই উদ্ভিদ পোৱা যায়। ❖

*উৎস : সাতসৰী*

# চতুৰ্থৰপৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## সাপ নথকা দেশ আয়াৰলেণ্ড



শুনিবলৈ আচৰিত যেন লাগিলেও সঁচা যে দ্বীপৰাষ্ট্ৰ আয়াৰলেণ্ডত এডালো সাপ পোৱা নাযায়। আয়াৰলেণ্ড গ্ৰেট ব্ৰিটেইনৰ পশ্চিমে উত্তৰ আটলাণ্টিক মহাসাগৰত অৱস্থিত। আয়াৰলেণ্ডত সাপ নথকাৰ এক বিশেষ কাৰণ আছে। বিজ্ঞানীসকলৰ মতে সাপে সাধাৰণতে সাগৰ অতিক্ৰম কৰিব নোৱাৰে। আয়াৰলেণ্ডত সাপ নথকাৰ মূল কাৰণো সেইটোৱেই। আজিৰপৰা কেইবা কোটি বছৰ আগতে পৃথিৱীখনৰ বেছিভাগ ঠাই বৰফে আগুৰি আছিল। সেই সময়ত ইউৰোপত সাপে পিয়াপি দি ফুৰিছিল। তেতিয়া আয়াৰলেণ্ড ইউৰোপৰ মূল ভূ-ভাগৰ লগত সংযুক্ত হৈ আছিল। সেই সাপবোৰ গৈ গৈ ইংলেণ্ডৰ উপকূল অঞ্চল পাইছিলগৈ। পাছে সেই সময়তে বৰফ গলি ইংলেণ্ড আয়াৰলেণ্ড পৃথক হৈ পৰিল আৰু সাপবোৰ সেই জলভাগ অতিক্ৰম কৰি আয়াৰলেণ্ডলৈ যাব নোৱাৰিলে। ❖

## ৰেইনব’ ব্ৰীজ



আমেৰিকা যুক্তৰাষ্ট্ৰত থকা ৰেইনব’ ব্ৰীজ বা ৰামধেনু দলং হ’ল বিশ্বৰ আটাইতকৈ ডাঙৰ প্ৰাকৃতিক দলং। আধাৰৰপৰা বক্ৰ অংশলৈকে ই ৯০ মিটাৰ ওখ। এই দলংখন প্ৰায় ৮৪ মিটাৰ বহল। ওপৰৰ বক্ৰ অংশটো প্ৰায় ১৩ মিটাৰ ডাঠ। আনহাতে ৰাস্তাৰ দৰে অংশটো প্ৰায় ১১ মিটাৰ বহল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ উটাহৰ নাভাজো পাহাৰৰ এক দুৰ্গম গিৰিখাৱৈৰ ওপৰত এই দলংখন অৱস্থিত।

আমেৰিকাৰ এই স্থানক স্থানীয় লোকসকলে পবিত্ৰ স্থান হিচাপে গণ্য কৰে। তেওঁলোকে বিশ্বাস কৰে যে মানুহৰ পোহনীয়া জন্তুবোৰ মৰিলে সেইবোৰৰ আত্মা এই দলংখনলৈ আহে। আত্মাবোৰ ইয়াত সকলো বেমাৰ-আজাৰ বা দুৰৱস্থাৰপৰা মুক্ত হৈ সৰগৰ এক সেউজ পথাৰত খেলিবলৈ গুচি যায়। ❖

# শিক্ষাগুৰুসকললৈ শ্ৰদ্ধাৰে...

■ অপৰ্ণা দেৱী

**“এটা যুগৰপৰা আন এটা যুগলৈ, এটা পুৰুষৰপৰা আন এটা পুৰুষলৈ পৰম্পৰা কঢ়িয়াই নিবলৈ আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'ল বিদ্যালয়সমূহ আৰু ইয়াৰ বাহক হ'ল শিক্ষকসকল।”**—এলবাৰ্ট আইনষ্টাইন



আইনষ্টাইনৰ এই বিখ্যাত উক্তিটোত শিক্ষকসকলক পৰম্পৰাৰ বাহক হিচাপে গণ্য কৰা হৈছে। ছাত্ৰসকলে এটা প্ৰজন্মৰপৰা আন এটা প্ৰজন্মলৈ বিভিন্ন বাৰ্তা কঢ়িয়াই নিয়ে। সেই ছাত্ৰসকল আকৌ কোনোবা শিক্ষকৰ সৃষ্টি। সকলো শিক্ষকেই একালৰ ছাত্ৰ। গতিকে ছাত্ৰৰপৰাই শিক্ষকৰ সৃষ্টি হয়। শিক্ষকে ভাল ছাত্ৰ গঢ়িব পাৰিলে ভাল শিক্ষকৰ জন্ম হ'ব। ঠিক সেইদৰে ভাল ছাত্ৰইহে ভাল শিক্ষক গঢ়িব পাৰে বুলি কোৱা হয়। কিন্তু সমাজৰ অধিকাংশ মানুহেই বিশ্বাস কৰে ‘শিক্ষকৰ জন্ম হয়, শিক্ষক গঢ়িব নোৱাৰি।’ (Teachers are born not made)

শিক্ষক শব্দৰ আভিধানিক অৰ্থ হ'ল—যিয়ে শিক্ষা দিয়ে, তেৱেঁই শিক্ষক। সেই অৰ্থত শ্ৰেণীকোঠাত শিক্ষা দিয়া গৰাকীও শিক্ষক আৰু প্ৰকৃতিও (nature) শিক্ষক। মানুহৰ মন, ইচ্ছা, অনুভূতি অৰ্থাৎ জীৱনটোৱেই এগৰাকী শিক্ষক। বিদ্যায়তনিক শিক্ষকে নিৰ্দিষ্ট কিছুমান বিষয় সম্পৰ্কে শিক্ষা দিয়ে আৰু জীৱনৰ শিক্ষকে জীৱনজুৰি শিক্ষা দিয়ে। এক নিৰ্দিষ্ট সময় বা বয়সলৈ শিক্ষানুষ্ঠানকেন্দ্ৰিক শিক্ষা লোৱাৰ বা গ্ৰহণ কৰাৰ সুযোগ থাকে। জীৱনৰ শিক্ষকে জীৱন এটা বৰ্তি থকালৈকে অহৰহ শিক্ষা দিয়েই থাকে। সেই শিক্ষা অবিৰত। ঠিক সেইদৰে এগৰাকী শিক্ষকে (যিয়ে পাঠদান কৰে) ওৰেটি জীৱন শিক্ষক হৈ থকাৰ সুযোগ লাভ কৰে।

শিক্ষক আৰু শিক্ষকতা দুটা ভিন্ন বিষয়। এটি শিশুৰ প্ৰথম শিক্ষক হ'ল তেওঁক জন্ম দিয়া বা পালন কৰা মাতৃগৰাকী। শিক্ষকতা হ'ল এটা বৃত্তি। অইন বৃত্তিতকৈ কিন্তু শিক্ষকতা বৃত্তিটো বহু বেলেগ। উপযুক্ত শিক্ষাগত অৰ্হতা থাকিলে যিকোনো এগৰাকী ব্যক্তিয়েই বিদ্যালয়, মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ শিক্ষক হ'ব পাৰে। কিন্তু শিক্ষক হিচাপে শিক্ষকতাত ব্ৰতী হ'ব পৰাটোহে কৃতিত্ব। সেই প্ৰসংগত চিন্তাবিদ ক্ৰাউথাৰৰ এষাৰ মন্তব্য আগবঢ়াব বিচাৰিছোঁ। ক্ৰাউথাৰৰ মতে ‘এগৰাকী কৃতকাৰ্য প্ৰধানমন্ত্ৰী হোৱাতকৈ এগৰাকী কৃতকাৰ্য শিক্ষক হ'বলৈ অধিক যোগ্যতা লাগে।’

কৃতকাৰ্য শিক্ষক নিশ্চয় সেইগৰাকীয়ে যি সকলো ছাত্ৰৰ প্ৰতি সমভাৱাপন্ন, যিয়ে ছাত্ৰক উৎসাহিত কৰাটো এক নৈতিক দায়িত্ব হিচাপে বিবেচনা কৰে; যিয়ে প্ৰয়োজনত কঠোৰতাৰে শাসন কৰিব পাৰে, যাৰ দুচকুত স্নেহভৰা চাৱনি থাকে, যিয়ে ছাত্ৰক সঠিক পথ নিৰ্দেশনা দিব পাৰে আৰু জীৱনটোক সুন্দৰ আৰু সুখকৰ কৰি তোলাৰ মন্ত্ৰণা দিব পাৰে। এগৰাকী শিক্ষকে যদি অনুভূতিশীল, অনুভৱী ছাত্ৰ-ছাত্ৰী সৃষ্টি কৰিব পাৰে, সেই শিক্ষকগৰাকীৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন দিশত সফল হোৱাৰ বাট মুকলি কৰি দিব। এগৰাকী অখ্যাত শিক্ষকেও অসাধাৰণ প্ৰতিভাসম্পন্ন ব্যক্তি কেনেকৈ গঢ়িব পাৰে তাৰ এটা উৎকৃষ্ট উদাহৰণ হ'ল মিষ্টাৰ বাডাৰ নামৰ এগৰাকী আমেৰিকাৰ শিক্ষক। পদাৰ্থবিজ্ঞানৰ নমস্য বিজ্ঞানী ৰিছাৰ্ড ফাইনমেনক মি. বাডাৰে প্ৰাথমিক শ্ৰেণীত পঢ়ুৱাইছিল। ফাইনমেন শ্ৰেণীত অতি অমনোযোগী আছিল। মি. বাডাৰে তেওঁক কিন্তু অৱহেলা কৰা নাছিল। তাৰ পৰিৱৰ্তে মি. বাডাৰে

শ্ৰেণীৰ উপৰি ওপৰঞ্চি সময় খৰচ কৰি তেওঁ পঢ়োৱা বিষয়টোৰ প্ৰতি ফাইনমেনৰ মনত আগ্ৰহ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল। অৱশেষত সফল হ'ল মি. বাড়াৰ। শ্ৰেণীৰ মনোযোগী ছাত্ৰবোৰৰ বহুবোৰেই ভিৰৰ মাজত হেৰাই গ'ল। কিন্তু অমনোযোগী ছাত্ৰ ৰিছাৰ্ড ফাইনমেনে অৱশেষত পদাৰ্থবিজ্ঞানত ন'বেল বঁটা আঁজুৰি আনিবলৈ সক্ষম হ'ল। তেওঁৰ সেই বিৰল কৃতিত্বৰ দাবীদাৰ নিশ্চয়কৈ মি. বাড়াৰ। মি. বাড়াৰৰ লেখীয়া আমাৰ দেশত, আমাৰ ৰাজ্যত, আমাৰ আশে-পাশে বহুত শিক্ষক আছে, যিসকল আমাৰ দৃষ্টিত কৃতকাৰ্য শিক্ষক। চিৰনমস্য সেই শিক্ষকসকলক কোনোবাই কেতিয়াবা অৱজ্ঞা কৰিব পাৰে কিন্তু কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰে। এটা সময় আছিল যেতিয়া আমাৰ সমাজত শিক্ষকসকলৰ ওচৰলৈ মানুহে বিভিন্ন মতামত গ্ৰহণ কৰিবলৈ আহিছিল, সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আহিছিল। শিক্ষক সিদ্ধান্তকাৰীও আছিল। আজিৰ তাৰিখত, বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিততো শিক্ষকসকল সামাজিকভাৱে দায়বদ্ধ একো একোগৰাকী সচেতন নাগৰিক। সামাজিক সেই দায়বদ্ধতাৰ বাবেই হয়তো এগৰাকী শিক্ষকে সামাজিক আচৰণৰ যোগেদি সম্ভ্ৰম ৰক্ষা কৰি চলিবলগীয়া হয়।

বৰ্তমান যুগত শিক্ষকতাৰ লগত জড়িত শিক্ষকসকলে নিজকে নতুন নতুন ৰূপত আৱিষ্কাৰ কৰিব পৰা দক্ষতাসম্পন্ন হ'ব লাগিব। ইণ্টাৰনেটৰ যুগত শিক্ষকে নিজক উন্নীতকৰণ (upgrade) কৰাটো জৰুৰী হিচাপে বিবেচিত হৈছে।

পৰিশ্ৰম, ত্যাগ, ধৈৰ্য, সময়ানুবৰ্তিতা, নিয়মানুবৰ্তিতাৰ মূৰ্ত প্ৰতীক হ'ল শিক্ষকসকল। শিক্ষকতাৰ দৰে মহান বৃত্তিত জড়িত লোকসকলে কঠোৰ পৰিশ্ৰম আৰু আত্মত্যাগেৰে সেই বৃত্তিক মহীয়ান কৰি আহিছে; এটা যুগৰপৰা আন এটা যুগলৈ। এগৰাকী শিক্ষকে প্ৰাণ প্ৰাচুৰ্যৰে মাথোঁ বিলাই যায় জ্ঞান, গৰিমা আৰু মহানুভৱতা। শিক্ষকতা অকল এটা বৃত্তি বা সেৱা নহয়। ই হ'ল এক সাধনা—জীৱনজোৰা সাধনা। সেই সাধনাত ব্ৰতীসকলে পুণ্য অৰ্জন কৰিবলৈ সক্ষম হয় বুলি বিশ্বাস কৰা হয়।

এগৰাকী মাতৃয়ে সন্তানক পৃথিৱীখন দেখা পোৱাৰ সুযোগ দিয়ে। ঠিক সেইদৰে এগৰাকী শিক্ষকে শিশুক জ্ঞানৰ চকু মুকলি কৰি দিয়ে। সেই শিশুৱেই জ্ঞানৰ দীপ্তিৰে ভৱিষ্যতৰ বাট বুলিবলৈ সক্ষম হয়।

শিক্ষকৰ সমান উদাৰ মনৰ মানুহ হয়তো দ্বিতীয়গৰাকী নাই। ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ (যিয়ে নিজকে ৰাষ্ট্ৰপতি হিচাপে চিনাকি দিয়াতকৈ শিক্ষক হিচাপে চিনাকি দি গৌৰৱান্বিত হৈছিল) জন্মদিন **৫** ছেপ্টেম্বৰ তাৰিখটো পালন কৰিব বিচৰাত তেওঁ সেই দিনটো শিক্ষকসকলৰ নামত 'শিক্ষক দিৱস' হিচাপে পালন কৰাৰ পৰামৰ্শ দিয়ে। উদাৰতাৰ ই এক অন্যতম নিদৰ্শন।

শিক্ষক দিৱসৰ পৱিত্ৰ দিনত শ্ৰদ্ধেয় শিক্ষাগুৰুসকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। অমৃতৰ সন্তান শিক্ষকসকলক সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ। ❖

## কুইজৰ উত্তৰসমূহ

১) প্ৰথম বিশ্বযুদ্ধ। ২) কেফে কফী ডে' (Cafe Coffee Day)। ৩) গুৱেৰ্ণিকা (পাবলো পিকাচো)। ৪) Miraitoa; টকিঅ', অলিম্পিকৰ মেছকট। ৫) দেওবাৰে বন্ধ ঘোষণা। ৬) কলাই কোচ, হেমৰাম বৰা, গুণাভিৰাম বৰদলৈ, হেমোৰাম পাটৰ আৰু তিলক ডেকা। ৭) কাৰ্জন হল। ৮) অমলপ্ৰভা দাস। ৯) ছবি : পিয়লি ফুকন, চৰিত্ৰ : গোমধৰ কোঁৱৰ। ১০) কলিকতাৰ বংগীয় সাহিত্য পৰিষদ। ১১) মুকাভিনয়। নাটকখন The Broken Mirror। ১২) নটসূৰ্য ফণী শৰ্মা বঁটা। ১৩) কমেডী অব্ এৰৰ্চ। ১৪) 'ৰাজ্যে আছে দুইটি পাঠা...' শীৰ্ষক ফকৰা যোজনাটো। ১৫) বাহাদুৰ গাঁওবুঢ়া। ১৬) অন্ধ বিশ্ববিদ্যালয়। ১৭) **১৯৬২** চনত। ১৮) ইউনেস্ক' (UNESCO)। ❖

# গুহাৰ বাগিচা

■ বিনয় বিকাশ গগৈ



মেঘালয়, অসমৰ নিকটৱৰ্তী এখন ৰাজ্য। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ মেঘালয় পৰ্যটকসকলৰ বাবে এক আকৰ্ষণীয় নাম। এছিয়া মহাদেশৰ আটাইতকৈ বেছি বৰষুণ হোৱা ঠাই, প্ৰাকৃতিক দলং, জলপ্ৰপাত আদিৰে ভৰপূৰ মেঘালয় এক অনন্য সুন্দৰ ঠাই।

মেঘালয়ৰ এখন অতিকৈ মনোমোহা ঠাই হৈছে লেইটমাওচিয়াং (Laitmawsiang)। ২০১০ চনৰ ৯ ডিছেম্বৰৰ আগলৈকে বাহিৰৰ মানুহৰ বাবে লেইটমাওচিয়াং চিনাকি নাম নাছিল। উক্ত ঠাইতেই বহিৰ্জগতৰপৰা গোপনে আছিল এখন অতিকৈ সুন্দৰ গুহাৰ বাগিচা (Garden of caves)। অৰ্থাৎ অৰণ্যৰ মাজত থকা গুহা, শিল আদিৰে ভৰা এখন ধুনীয়া ঠাই। স্থানীয় ভাষাত কা ব্ৰি কি চিনৰাং (Ka Bri Ki Synrang) নামেৰে জনাজাত ঠাইখন ২০১০ চনৰ ৯ ডিছেম্বৰত পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হয়। বৰ্তমান উক্ত গুহাৰ বাগিচা মেঘালয়ৰ এক অন্যতম পৰ্যটনস্থলী।

সেউজীয়া গছ-গছনিৰে পৰিপূৰ্ণ গুহাৰ বাগিচাখন কেইবাটাও জলপ্ৰপাত আৰু গুহাৰে পৰিপূৰ্ণ। প্ৰায় ১৫.৪৪ বিঘা মাটিৰ গুহাৰ বাগিচাখনৰ ৭টা মুখ্য স্থান পৰ্যটকৰ বাবে বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। সেইকেইটা হৈছে ৰজাৰ গুহা (the King's cave), চাম চিয়েম জলপ্ৰপাত (Sum Syiem falls), যোদ্ধাৰ শিল (Warrior rock), হৃদয়াকৃতিৰ শিল (Heart-shaped rock), কেঁচুৱাকৃতিৰ শিল (Baby rock), আচডাক জলপ্ৰপাত (Asdad falls) আৰু উমলোৱাই জলপ্ৰপাত (Umlwai falls)।

গুহাৰ বাগিচাৰ ঐতিহাসিক গুৰুত্বও আছে। কেইবা শতিকা পুৰণি এই গুহাৰ বাগিচা ব্ৰিটিছ শাসনৰ সময়ত খাচী জনগোষ্ঠীয়ে এক গুপ্তস্থান হিচাপে ব্যৱহাৰ কৰিছিল। গভীৰ অৰণ্যৰ মাজত থকা এই বাগিচাখন খাচী ৰজাই ব্ৰিটিছসকলৰপৰা লুকাই থাকিবৰ বাবে ব্যৱহাৰ কৰিছিল। সূৰ্যৰ পোহৰে পোহৰাই তোলা গুহাবোৰ আৰু জলপ্ৰপাতবোৰে সমগ্ৰ বাগিচাখনক এক অনন্য ৰূপত তুলি ধৰে।

বাগিচাখনত থকা আটাইকেইটা জলপ্ৰপাতেই একেবাৰে ওচৰৰপৰা চাব পাৰি। গুহাৰ বাগিচাখন ভ্ৰমণ কৰাৰ বাবে বছৰৰ আটাইকেইটা মাহেই উপযোগী যদিও আগষ্ট আৰু ছেপ্টেম্বৰ মাহ পৰ্যটকসকলৰ বাবে বেছি প্ৰিয়। কাৰণ এই দুমাহতেই উক্ত ঠাইত বেছি বৰষুণ হয় আৰু জলপ্ৰপাতবোৰ পানীৰে পৰিপূৰ্ণ হৈ থাকে। গুৱাহাটী মহানগৰীৰপৰা ১৪৩ কিল'মিটাৰ দূৰত্বত থকা এই গুহাৰ বাগিচা বৰ্তমান দেশী-বিদেশী পৰ্যটকৰ ভ্ৰমণ তালিকাত থকা এক অন্যতম নাম। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (আগষ্ট)

১। প্ৰসূন গোস্বামী

২। মৌলানা আবুল কালাম আজাদ


৩। হেলে বেৰী

৪। প্লেংফটন

৫। হেলেন কেলাৰ

# ভাৰতৰ সংবিধানৰপৰা ৩৭০ নং অনুচ্ছেদৰ বিলুপ্তি

■ ৰুণিমা শৰ্মা




ব্ৰিটিছৰ শাসনৰ সময়ছোৱাত জম্মু-কাশ্মীৰত ৰজাৰ শাসন চলিছিল। তাৰ ৰজা আছিল হৰি সিং। সেই সময়ত ৰাজশাসিত অঞ্চল জম্মু-কাশ্মীৰৰ প্ৰায় ৭৫ শতাংশ জনসাধাৰণেই আছিল মুছলমান। ভাৰতবৰ্ষৰ স্বাধীনতাৰ সময়ছোৱাত ধৰ্মৰ ভিত্তিত দ্বিখণ্ডিত হোৱা ভাৰত আৰু পাকিস্তানৰ বিভাজনৰ সময়ছোৱাতেই জম্মু-কাশ্মীৰক লৈ গুৰুতৰ সমস্যাৰ সৃষ্টি হৈছিল। ৰাজ্যখনৰ জনসংখ্যাৰ অনুপাতৰ বাবে জম্মু-কাশ্মীৰ পাকিস্তানৰ লগত অন্তৰ্ভুক্ত হোৱাৰ পৰিস্থিতিৰ উদ্ভৱ হৈছিল। কিন্তু ৰাজ্যখনৰ শাসনৰ পদবীত থকা হিন্দু ৰজা হৰি সিঙে ৰাজ্যখন ভাৰতৰ লগত চামিল কৰাৰ সপক্ষে নিজৰ যুক্তি দাঙি ধৰিছিল। ৰাজ্যখনৰ একাংশ জনসাধাৰণে আকৌ জম্মু-কাশ্মীৰক এখন সাৰ্বভৌম স্বাধীন ৰাজ্যৰ মৰ্যাদা দিব বিচাৰিছিল। এনে পৰিস্থিতিত ভাৰতৰ অন্তৰ্বৰ্তী চৰকাৰে জম্মু-কাশ্মীৰত গণভোট পতাৰ সিদ্ধান্ত গ্ৰহণ কৰে য'ত জনসাধাৰণৰ সিদ্ধান্তই শেষ সিদ্ধান্ত হ'ব বুলি ঘোষণা কৰা হয়। জম্মু-কাশ্মীৰত গণভোট নাপাতোতেই পাকিস্তানে মুছলমান সংখ্যাগৰিষ্ঠ এই ৰাজ্যখন নিজৰ লগত অন্তৰ্ভুক্ত কৰাৰ বাবে জম্মু-কাশ্মীৰ আক্ৰমণ কৰে। পাকিস্তানৰ আক্ৰমণ প্ৰতিহত কৰাৰ বাবে হৰি সিঙে ভাৰতৰ অন্তৰ্বৰ্তী চৰকাৰৰ সহায় বিচাৰে। কিন্তু ৰাজ্যখন ভাৰতবৰ্ষৰ লগত অন্তৰ্ভুক্ত নোহোৱাকৈ অন্তৰ্বৰ্তী চৰকাৰে কোনো ধৰণৰ সামৰিক সাহায্য জম্মু-কাশ্মীৰৰ ৰজাক প্ৰদান কৰিব নোৱাৰিব বুলি জনাইছিল। অৱশেষত জম্মু-কাশ্মীৰৰ ৰজা হৰি সিঙে ভাৰতৰ অন্তৰ্বৰ্তী চৰকাৰৰ লগত 'অন্তৰ্ভুক্তিৰ চুক্তি'ত (Instrument of Accession) স্বাক্ষৰ কৰে আৰু ৰাজ্যখন ভাৰতৰ লগত চামিল হয়। পাকিস্তানে যুদ্ধত ৰাজ্যখনৰ এটা অংশ নিজৰ লগত চামিল কৰে। গণভোট অনুষ্ঠিত কৰিব নোৱৰা কথাটোৱে কাশ্মীৰী জনসাধাৰণৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰে। কাশ্মীৰত সৃষ্টি হোৱা এনে অশান্তিৰ পৰিৱেশ নাইকিয়া কৰিবলৈ তদানীন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে কাশ্মীৰী নেতা শ্বেখ আব্দুলাৰ লগত আলোচনাত মিলিত হয়। তেওঁলোকে ভাৰতৰ সংবিধানত জম্মু আৰু কাশ্মীৰৰ বাবে সুবিধা হোৱাকৈ এটা সুকীয়া অনুচ্ছেদৰ খচৰা প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সিদ্ধান্তত খচৰা কমিটিৰ অধ্যক্ষ বি আৰ আম্বেদকাৰে অসন্মতি প্ৰকাশ কৰিছিল। শ্বেখ আব্দুলাৰ কথাত ভোল গৈ প্ৰধানমন্ত্ৰী নেহৰুৱে সংবিধানৰ খচৰা সমিতিৰ অন্য এজন সদস্য এন গোপালস্বামী আয়েংগাৰৰ সহায়ত জম্মু আৰু কাশ্মীৰৰ বাবে সুকীয়া ৩৭০ নং অনুচ্ছেদৰ খচৰা প্ৰস্তুত কৰিছিল। একেদৰে ১৯৫৪ চনত ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিয়ে জাৰি কৰা আদেশৰ জৰিয়তে ভাৰতীয় সংবিধানত ৩৫(ক) অনুচ্ছেদ সন্নিৱিষ্ট কৰা হৈছিল। এই অনুচ্ছেদ অনুসৰি জম্মু আৰু কাশ্মীৰৰ বিধানসভাইহে ৰাজ্যখনৰ স্থায়ী বাসিন্দা কোন সেই কথাটো নিৰ্ণয় কৰিব পাৰিব। জম্মু আৰু কাশ্মীৰৰ লোকসকলৰ বাবে একপ্ৰকাৰ

সাংবিধানিক ৰক্ষা কবচ হিচাপে বিবেচিত এই অনুচ্ছেদ অনুসৰি কোনো বাহিৰা লোকে ৰাজ্যখনত ভূমিসম্পত্তি ক্ৰয় কৰিব নোৱাৰে অথবা ৰাজ্য চৰকাৰৰ অধীনৰ চাকৰিত নিযুক্তি পাব নোৱাৰে। ভাৰতৰ সংবিধানত অন্তৰ্ভুক্ত **৩৭০** নং অনুচ্ছেদেও জম্মু-কাশ্মীৰক আন ৰাজ্যসমূহতকৈ সুকীয়া আৰু বিশেষ মৰ্যাদা প্ৰদান কৰিছিল। **৩৭০** নং অনুচ্ছেদৰ অধীনৰ প্ৰধান বিধিসমূহ আছিল—

**১।** জম্মু আৰু কাশ্মীৰৰ বাবে এখন সুকীয়া সংবিধান থাকিব।

**২।** জম্মু আৰু কাশ্মীৰৰ নাগৰিকৰ বাবে দ্বিনাগৰিকত্বৰ ব্যৱস্থা থাকিব।

**৩।** **৩৬০** নং অনুচ্ছেদৰ অধীনৰ বিত্তীয় জৰুৰী ব্যৱস্থা বলবৎ নহ'ব।

**৪।** সংখ্যালঘু সম্প্ৰদায়সকলৰ (হিন্দু, শিখ) বাবে সংৰক্ষণৰ ব্যৱস্থা নাই।

**৫।** আন ৰাজ্যৰ ভাৰতীয় নাগৰিকে জম্মু আৰু কাশ্মীৰত মাটি-বাৰী ক্ৰয় কৰিব নোৱাৰে।

**৬।** তথ্যৰ অধিকাৰ আইন বলবৎ নহয়।

**৭।** জম্মু-কাশ্মীৰৰ বিধানসভাৰ কাৰ্যকাল ছয় বছৰ।

**৮।** জম্মু আৰু কাশ্মীৰৰ যুৱতীয়ে ৰাজ্যৰ বাহিৰৰ লোকৰ সৈতে বিবাহপাশত আবদ্ধ হ'লে 'ৰাজ্যৰ নাগৰিকত্ব' হেৰুৱাব। আনহাতে কোনো পাকিস্তানী পুৰুষে কাশ্মীৰী মহিলাক বিয়া কৰালে তেওঁ কাশ্মীৰৰ নাগৰিকত্ব পাব।

**৯।** জম্মু আৰু কাশ্মীৰৰ পঞ্চায়তৰ কোনো অধিকাৰ নাই।

**১০।** জম্মু আৰু কাশ্মীৰৰ এখন সুকীয়া পতাকা ব্যৱহাৰ কৰাৰ অধিকাৰ থাকিব।

ভাৰতবৰ্ষৰ সংবিধান কাৰ্যকৰী হোৱাৰ সময়ৰেপৰাই (**২৬** জানুৱাৰি, **১৯৫০**) উক্ত ৰাজ্যখনে **৩৭০** নং অনুচ্ছেদৰ অধীনত ভাৰতবৰ্ষৰ ভিতৰত এক বিশেষ মৰ্যাদা লাভ কৰি আহিছে। উল্লেখ্য যে, **৩৫**(ক) অনুচ্ছেদটো **১৯৫৪** চনত ৰাষ্ট্ৰপতিৰ আদেশ মৰ্মে বলবৎ হয়। যোৱা **৫** আগষ্ট তাৰিখে দুয়োখন সদনতেই জম্মু-কাশ্মীৰ সম্পৰ্কীয় এখন নতুন আইন গ্ৰহণ কৰা হয়। ইয়াত ৰাষ্ট্ৰপতিয়েও অনুমোদন জনায়। এই আইন অনুসৰি উপৰোক্ত দুয়োটা অনুচ্ছেদ বাতিল কৰা হয়। লগতে কিছুমান নতুন বিষয় সংযোজন কৰা হয়। এই নতুন আইন অনুসৰি ৰাজ্যখনক লাডাখ আৰু জম্মু-কাশ্মীৰ এই দুটা ভাগত ভাগ কৰা হয়। দুয়োটা অঞ্চলকেই কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে ঘোষণা কৰা হয়। জম্মু-কাশ্মীৰ কেন্দ্ৰীয় শাসিত অঞ্চলত নিজৰ বিধানসভা থাকিব কিন্তু লাডাখত বিধানসভা নাথাকিব। জম্মু-কাশ্মীৰত বৰ্তমানৰ ৰাজ্যপালৰ পৰিৱৰ্তে থাকিব উপ-ৰাজ্যপাল। ৰাজ্যখনৰপৰা পৃথক সংবিধান, পৃথক পতাকা, নাগৰিকত্বৰ ব্যৱস্থা (এক নাগৰিকত্বৰ প্ৰচলন) আদি উঠাই দিয়া হয়। ৰাজ্যখনত **৩৬০** নং অনুচ্ছেদৰ অধীনত বিত্তীয় জৰুৰী ব্যৱস্থা বলবৎ হ'ব। সংখ্যালঘু সম্প্ৰদায়ৰ বাবে **১৬** শতাংশ আসন সংৰক্ষিত হ'ব, অন্য ৰাজ্যৰ লোকে জম্মু আৰু কাশ্মীৰত মাটি-বাৰী ক্ৰয় কৰিব পাৰিব, তথ্যৰ অধিকাৰ আইন বৰ্তমান বলবৎ হ'ব, বিধানসভাৰ কাৰ্যকাল বৰ্তমান **৬** বছৰৰ পৰিৱৰ্তে হ'ব **৫** বছৰ, পঞ্চায়তক অধিকাৰ আৰু ক্ষমতা প্ৰদান ইত্যাদি নতুন বিধি-বিধানসমূহ জম্মু-কাশ্মীৰৰ ক্ষেত্ৰত নতুনকৈ সংযোজন কৰা হয়।

কেন্দ্ৰীয় চৰকাৰৰ এই ঐতিহাসিক পদক্ষেপে বৰ্তমান ভাৰতবৰ্ষৰ ৰাজনৈতিক ব্যৱস্থাৰ লগতে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিতো এক বিশেষ প্ৰভাৱ পেলাইছে। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা উক্ত পদক্ষেপে দুয়োখন প্ৰদেশকে অধিক উন্নত কৰি তুলিব বুলি শাসকীয় দলটোৱে আশ্বাস প্ৰদান কৰে। ভাৰতবৰ্ষৰপৰা সাম্প্ৰদায়িকতাবাদ, অসমতা, দুৰ্নীতি, সন্ত্ৰাসবাদ আদিবোৰ আঁতৰ কৰি আন আন অঞ্চলবোৰৰ দৰে জম্মু-কাশ্মীৰ ৰাজ্যখনকো সমানেই ঔদ্যোগীকৰণ, অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আদি দিশত আগবঢ়াই নিয়াৰ উদ্দেশ্যেই কেন্দ্ৰীয় চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি মত পোষণ কৰে। ❖

# কুইজ

১। অষ্ট্ৰিয়াৰ আৰ্ক ডিউক (Archduke) ফ্ৰান্স ফাৰ্ডিনাণ্ডৰ হত্যাৰ পিছতেই কোনটো ঐতিহাসিক ঘটনাৰ আৰম্ভণি হৈছিল?

২। **২০১২** চনৰ **২৮** ছেপ্টেম্বৰত ৰাষ্ট্ৰীয় সংবাদ-পত্ৰত দিয়া তেওঁলোকৰ প্ৰথমটো বিজ্ঞাপনৰ শ্ল’গান আছিল—You will never run out of reasons to hang out। **১৯৯৬** চনৰ **১১** জুলাইত বেংগালুৰুৰ ব্ৰীগেড ৰোডত প্ৰথমখন বিপণী মুকলি হোৱা এই ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ নাম কি?

৩। **১৯৩৭** চনৰ **২৬** এপ্ৰিলত স্পেইনৰ বিছকেই প্ৰদেশত সংঘটিত ঘটনাৰ আধাৰত কোনখন চিত্ৰৰ (painting) সৃষ্টি হোৱা বুলি জনা যায়?

৪। জাপানী ভাষাত ‘future’ আৰু ‘eternity’ বুজোৱা শব্দটো অহা বৰ্ষত সকলোৰে মুখে মুখে হ’ব। শব্দটো কি? আৰু ইয়াৰ কাৰণ কি?

৫। ৰোমান সম্ৰাট কনষ্টাইনটেইনে আৰম্ভ কৰা কৰ্মদিন সম্পৰ্কীয় কোনটো প্ৰথা **১৭৮৮** চনত ভাৰতত লৰ্ড ৱেলেছলিয়ে প্ৰৱৰ্তন কৰিছিল?

৬। **১৯৪২** চনৰ আগষ্টত নগাঁৱত ব্ৰিটিছৰ বৰ্বৰতাত শ্বহীদ হোৱা **৫** গৰাকী শ্বহীদৰ সন্মানাৰ্থে নগাঁৱৰ বিভিন্ন অঞ্চলত **১৬** ছেপ্টেম্বৰৰ দিনা ‘পঞ্চবীৰ দিৱস’ পালন কৰা হয়। সেই পঞ্চবীৰৰ নাম কি?

৭। পাণবজাৰৰ দীঘলীপুখুৰীৰ পাৰত অৱস্থিত কৰ্মবীৰ ‘নবীন চন্দ্ৰ বৰদলৈ সভাগৃহ’ আৰু পুথিভঁৰালটো ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অলেখ ঘটনাৰ সাক্ষী। এই সভাগৃহটোৰ পুৰণি নাম কি?

৮। **১৯১১** চনত জন্মগ্ৰহণ কৰা এইগৰাকী স্বাধীনতা সংগ্ৰামী বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা প্ৰথম অসমীয়া মহিলা। সমাজসেৱাৰ বাবে লাভ কৰা ‘পদ্মবিভূষণ’ সন্মান প্ৰত্যাখ্যান কৰা এইগৰাকী সংগ্ৰামী কোন?

৯। **১৯৫৫** চনত নিৰ্মিত এই চলচ্চিত্ৰখন ৰাষ্ট্ৰপতিৰ চাৰ্টিফিকেট অব্ মেৰিট (Certificate of Merit) লাভ কৰা প্ৰথম অসমীয়া ছবি। ছবিখন কি আৰু ছবিখনৰ পৰিচালক নটসূৰ্য ফণী শৰ্মাই কোনটো চৰিত্ৰত অভিনয় কৰিছিল?

১০। ড° ভবেন্দ্ৰনাথ শইকীয়াক কোনটো অনুষ্ঠানে সাহিত্যিক হৰনাথ ঘোষ মেডেল প্ৰদান কৰিছিল?

১১। **১৯৬৪** চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা দলৰ প্ৰফেছৰ ইনচাৰ্জৰূপে ড° ভবেন্দ্ৰনাথ শইকীয়া আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱলৈ গৈছিল। তাত প্ৰদৰ্শিত বোম্বে বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ এটা অনুষ্ঠান চাই গুৱাহাটী বিশ্ববিদ্যালয়তো ছাত্ৰসকলৰ হতুৱাই তেওঁ সেই অনুষ্ঠানটো কৰাইছিল। অসমত সেয়াই আছিল এই বিশেষ অনুষ্ঠানটোৰ সূচনা। বিশেষ অনুষ্ঠানটো কি?

১২। বিশিষ্ট নাট্যশিল্পী দুলাল ৰয় আৰু আৰতি দাস বৈৰাগীক চলিত বৰ্ষৰ কোনটো বিশিষ্ট বঁটা প্ৰদান কৰা হয়?

১৩। উইলিয়াম শ্বেইক্সপীয়েৰৰ কোনখন নাটক প্ৰথমবাৰ অসমীয়ালৈ ‘ভ্ৰমৰংগ’ নামেৰে অনুবাদ কৰা হৈছিল?

১৪। বিষ্ণুপ্ৰসাদ ৰাভাই কোচবিহাৰৰ ভিক্টোৰিয়া কলেজত পঢ়ি থকা অৱস্থাত কোচবিহাৰৰ ৰীজেণ্ট হাচিন্সন চাহাব আৰু জমিদাৰৰ দেৱান নলিনীৰঞ্জন খস্তগীৰ আৱাস ভৱনত এটা বিশেষ বাক্য লিখি থৈ আহিছিল। বাক্যটো কি?

১৫। **১৮৪৭** চনৰ বিদ্ৰোহত মণিৰাম দেৱানক সহযোগ কৰাৰ অভিযোগত এইগৰাকী ব্যক্তিক কলিয়াপানী খ্যাত আন্দামানলৈ নিৰ্বাসিত কৰা হৈছিল। ‘লটিঘটি’ চলচ্চিত্ৰখনতো ‘ৰমজানৰে ৰোজা গ’ল’ শীৰ্ষক গীতটিতো তেওঁৰ প্ৰসংগ উল্লেখ আছে। তেওঁ কোন?

১৬। **১৯৩১** চনত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কোনখন বিশ্ববিদ্যালয়ৰপৰা উপাচাৰ্য হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল?

১৭। কোন চনত পোনপ্ৰথমে ভাৰতৰ শিক্ষক দিৱস উদ্‌যাপন কৰা হৈছিল?

১৮। কোনটো অনুষ্ঠানে ‘বিশ্ব শিক্ষক দিৱস’ৰ আৰম্ভণি কৰিছিল? ❖

**■ সংগ্ৰহ : হিৰণ্য কলিতা**

# অভিযন্তা দিৱসৰ আঁৰৰ মানুহজন

■ ইজ্জা চাইমি চহৰীয়া
নৱম শ্ৰেণী



বিশ্বৰ বেছিভাগ দেশেই বিভিন্ন তাৰিখে অভিযন্তাসকলক সন্মান জনোৱাৰ উদ্দেশ্যে অভিযন্তা দিৱস পালন কৰে। সেই উদ্দেশ্যে আমাৰ ভাৰতবৰ্ষতো **১৫** ছেপ্টেম্বৰ তাৰিখে অভিযন্তা দিৱস পালন কৰা হয়। এগৰাকী বিদ্বান ভাৰতীয় অভিযন্তাৰ জন্মদিনৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। তেওঁ হৈছে মোক্ষগুণ্ডম বিশ্বেশ্বৰায় (Mokshagundam Visvesvaraya)। তেওঁৰ জন্ম হৈছিল **১৮৬১** চনৰ **১৫** ছেপ্টেম্বৰ তাৰিখে তেতিয়াৰ মহীশূৰ ৰাজ্যৰ চিক্কাবাল্লাপুৰ জিলাৰ মুদ্দেনাহল্লী গাঁৱত (বৰ্তমানৰ কৰ্ণাটক ৰাজ্য)।

তেওঁ চিক্কাবাল্লাপুৰত প্ৰাথমিক শিক্ষা আৰম্ভ কৰি পৰৱৰ্তী সময়ত পুনেৰ বিখ্যাত কলেজ 'কলেজ অব্ ইঞ্জিনিয়াৰিঙ'ত চিভিল (ব্যাৱহাৰিক) ইঞ্জিনিয়াৰিং বিভাগত অধ্যয়ন কৰে।

বিশ্বেশ্বৰায়ে কৰ্মজীৱনৰ পাতনি মেলিছিল মুম্বাইৰ গড়কাপ্তানী বিভাগত। পিছত তেওঁ ভাৰত চৰকাৰৰ নিমন্ত্ৰণ ৰক্ষা কৰি ভাৰতীয় জলসিঞ্চন বিভাগত যোগ দিয়ে। তেওঁ ডেক্কান (দাক্ষিণাত্য মালভূমি) অঞ্চলৰ জলসিঞ্চন ব্যৱস্থাৰ এক অতি জটিল পদ্ধতি সুকলমে ৰূপায়ণ কৰিছিল।

বান্ধৰ পানী নিয়ন্ত্ৰণ কৰিবলৈ তেওঁ এখন বিশেষ স্বয়ংক্ৰিয় ছুইচ গেট নিৰ্মাণ কৰিছিল। এই গেট পোনপ্ৰথমে **১৯০৩** চনত পুনেৰ ওচৰৰ খাড়াকভচলা বান্ধৰ জলাশয়ত ব্যৱহাৰ কৰা হৈছিল। জলাশয়ৰ পাৰিপাৰ্শ্বিকতাৰ কোনো ক্ষয়-ক্ষতি নকৰাকৈ এই গেটে কাম কৰিছিল। অভূতপূৰ্ব সফলতাৰ পিছত এই একেই ধৰণৰ গেট গোৱালিয়ৰৰ তিগৰা বান্ধ আৰু কৰ্ণাটকৰ কৃষ্ণ ৰাজা সাগৰ বান্ধত ব্যৱহাৰ কৰা হয়। **১৯০৬-০৭** চনত ভাৰত চৰকাৰে তেওঁক পানী যোগান আৰু জলনিৰ্গমণ ব্যৱস্থা অধ্যয়ন কৰিবলৈ য়েমেনৰ (মধ্যপ্ৰাচ্যৰ এখন দেশ) এডেনলৈ পঠিয়ায়। তাত তেওঁ প্ৰস্তুত কৰা এই গেট পদ্ধতি সফলভাৱে প্ৰয়োগ কৰা হয়। ভাৰতবৰ্ষলৈ উভতি আহি তেওঁ বিভিন্ন প্ৰকল্প সম্পাদন কৰে। সেয়া হ'ল—হায়দৰাবাদৰ পানী নিৰ্গমণ ব্যৱস্থা, বিশাখাপট্টনমৰ উপকূলৰ খহনীয়া ৰোধ, কৃষ্ণ ৰাজা সাগৰ বান্ধ, ৰূপেন্দ্ৰ সেতু আদি।

বিশ্বেশ্বৰায়ক আধুনিক মহীশূৰৰ পিতৃ বুলি অভিহিত কৰা হয়। মহীশূৰ চাবোন ফেক্টৰী, দা মহীশূৰ আইৰণ এণ্ড ষ্টীল ৱৰ্কচ (বৰ্তমান বিশ্বেশ্বৰায় আইৰণ এণ্ড ষ্টিল লিমিটেড), শ্ৰীজয়চামৰাকেন্দ্ৰ পলিটেকনিক ইনষ্টিটিউট, বাংগালোৰ কৃষি বিশ্ববিদ্যালয়, ষ্টেট বেংক অব্ মহীশূৰ, বিশ্বেশ্বৰায় ইউনিভাৰ্চিটি অব্ ইঞ্জিনিয়াৰিং (ভাৰতৰ প্ৰাচীনতম কাৰিকৰী প্ৰতিষ্ঠান) ইত্যাদি তেওঁৰ কাৰ্যকালতে প্ৰতিষ্ঠা হৈছিল।

মহীশূৰৰ দেৱান হৈ থাকোঁতে বিশ্বেশ্বৰায়ক তেওঁৰ অৱদানৰ বাবে **১৯১৫** চনত নাইট কমাণ্ডাৰ অব্ দা ইণ্ডিয়ান এম্পায়াৰ উপাধিৰে বিভূষিত কৰা হয়। ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত **১৯৫৫** চনত তেওঁক ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' প্ৰদান কৰা হৈছিল। বিশ্বেশ্বৰায়ক লণ্ডন ইনষ্টিটিউট অব্ চিভিল ইঞ্জিনিয়াৰৰ সন্মানীয় সদস্য পদো আগবঢ়োৱা হৈছিল। ভাৰতৰ মুঠ আঠখন বিশ্ববিদ্যালয়ে তেওঁক সন্মানীয় ডক্টৰ অব্ ছায়েন্স (D. Sc.), ডক্টৰ অফ ল' (LL.D.), ডক্টৰ অব্ লিটাৰেচাৰ (D.Litt.) আদি ডিগ্ৰী প্ৰদান কৰিছে। **১৯৬২** চনত মৃত্যুবৰণ কৰা বিশ্বেশ্বৰায় কৰ্ণাটকৰ সেই সময়ৰ আটাইতকৈ জনপ্ৰিয় ব্যক্তি আছিল। ❖

# পাহৰণিৰ গৰ্ভত বিলীন হ'বলৈ ধৰা কেইটামান কৃষিভিত্তিক পৰ্ব

■ ধ্ৰুৱ শৰ্মা



নগৰীকৰণ দ্ৰুত গতিত আগবাঢ়িছে যদিও আমাৰ অসম মূলতঃ গাঁও ভিত্তিক ৰাজ্য। প্ৰায়ভাগ মানুহৰ জীৱিকা কৃষি।

অসমৰ বিভিন্ন প্ৰান্তত কৃষিৰ লগত বিভিন্ন লোক-বিশ্বাস, পৰম্পৰা জড়িত হৈ আছে। পালন কৰাৰ লক্ষ্য-উদ্দেশ্য প্ৰায় একে যদিও ঠাইভেদে সেইবোৰৰ নাম বেলেগ। পাহৰণিৰ গৰ্ভত হেৰাই যাব ধৰা হোৱা ধান খেতিৰ লগত জড়িত তেনে দুই-চাৰিটা পৰ্ব সংক্ষেপে ইয়াত উল্লেখ কৰা হ'ল।

**কঠীয়া সিঁচা (পৰা)** : ব'হাগ মাহত বৰষুণ পৰাৰ পিছৰে পৰা কৃষকসকল খেতিৰ বাবে সাজু হয়। হালৰ গৰু, নাঙল, যুঁৱলি, মৈ, যবকা, কোৰ, কাঁচি, জাপি আদিবোৰ ঠিক-ঠাক কৰি লয়। জেঠ, আহাৰ, শাওণ মাহকেইটা কৃষিৰ পূৰ্ণ প্ৰস্তুতিৰ মাহ। নিজৰ নিজৰ খেতি পথাৰ চহ কৰি কৃষি কাৰ্যৰ বাবে খেতিয়কসকলে টঙালি বান্ধে। ধান খেতিৰ বাবে কঠীয়া সিঁচিব লাগে। ইতিমধ্যে আগৰ বছৰতে কৃষকে পৰৱৰ্তী বছৰৰ বাবে ধানৰ বীজ (বিধান) টোপা বা টোমত (বাঁহ-খেৰেৰে যতন কৰি ধান ৰখাৰ বাবে প্ৰস্তুত কৰা পাত্ৰ বিশেষ) বান্ধি সযতনে থৈ দিয়ে। কঠীয়া সিঁচাৰ বাবে ভাল দিন-বাৰ ঠিক কৰা হয়। কঠীয়া সিঁচাৰ এদিন বা দুদিন আগত ধানৰ টোপাবোৰ বাৰীত থকা খালত বা পুখুৰীত ডুবাই থোৱা হয়। নিৰ্দিষ্ট সময়ত টোপা বা টোমবোৰ খালৰ পৰা তুলি আনি খুলি ডাঙৰ ডলা এখনত ধানবোৰ মেলি দি ওপৰত এখন পাতলকৈ ঢাকনি দিয়া হয়। ধানৰ বীজবোৰৰ অকণ অকণ গজালি মেলে। কঠীয়া সিঁচাৰ বাবে ইতিমধ্যে খেতিপথাৰ সাজু কৰি তোলা হয়। সেইদিনা কঠীয়া সিঁচিবলৈ সাজু হোৱা কৃষকৰ পৰিয়ালত অপাৰ আনন্দ দেখা যায়। যথাসময়ত ঘৰৰ গৃহিণীয়ে যথাবিহিত ৰীতিমতে ভঁৰাল ঘৰৰ সমুখত ধূপ-চাকি, মাহ-প্ৰসাদ দি আগলতি কলপাতত আসন পাতি লখিমী দেৱীক আৰাধনা কৰে। পৰৱৰ্তী সময়ত ঘৰৰ মূল মানুহজনে ভঁৰাল ঘৰত পাতি থোৱা আসনত আঠু লৈ সেৱা কৰি ধানৰ বীজবোৰ পাচিত ভৰাই মূৰত লৈ কঠীয়াতলীলৈ (য'ত ধানৰ বীজ সিঁচা হয়) ৰাওনা হয়। কঠীয়াতলীতো উত্তৰ-পূব কোণত চাকি-বন্তি জ্বলোৱা হয়। ঘৰৰ মূল মানুহজনে পোন প্ৰথমে কঠীয়াতলীৰ উত্তৰ-পূব কোণত বাঁওহাতেৰে তিনিমুঠি ধান সিঁচি দিয়ে। বাঁওহাত লখিমী হাত বুলি কৃষক সমাজত এক লোকবিশ্বাস আছে। পৰৱৰ্তীসময়ত নিৰ্দিষ্ট হিচাপত কঠীয়াতলীত কঠীয়া সিঁচা হয়। ধান খেতিৰ বাবে সাজু কৰা গজালি মেলা ধানৰ বীজক কঠীয়া বোলা হয়। কঠীয়া সিঁচাৰ দিনা গৃহস্থই ওচৰ-চুবুৰীয়া

সকলোকে মাহ-প্ৰসাদ বিতৰণ কৰে। কঠীয়া সিঁচা পৰ্ব কৃষিৰ একেবাৰে আৰম্ভণিৰ পৰ্ব।

**গুছি লোৱা :** কঠীয়াতলীত ধানৰ বীজবোৰ গজালি মেলি লহপহকৈ বাঢ়ি আহে। কৃষকৰ কামৰ হেঁচা বাঢ়ি যায়। প্ৰকৃতিও যেন কৃষকৰ প্ৰতি সদয় হয়। কঠীয়াতলীৰ পৰা কঠীয়াবোৰ আনি ৰুবলৈ খেতিয়কে খেতিপথাৰ সাজু কৰে। পুনৰ ভাল দিন-বাৰ চাই কঠীয়া ৰোৱাৰ পৰিকল্পনা কৰে। নিৰ্দিষ্ট দিনটোত কঠীয়াতলীৰ পৰা কঠীয়া তোলা হয়। পথাৰত ৰোৱণী সাজু হৈ থাকে। মুঠি মুঠিকৈ বান্ধি কঠীয়াবোৰ পথাৰলৈ লৈ যোৱা হয়। সেই সময়তে পালন কৰা হয় ‘গুছি লোৱা পৰ্ব।’ কঠীয়াতলীৰ পৰা অনা কঠীয়া চহ কৰা পথাৰত পুতি দিয়াকে ‘গুছি লোৱা’ বুলি কোৱা হয়। গুছি লোৱাৰ দিনাও ভঁৰাল ঘৰৰ আগত মাহ-প্ৰসাদ দি ধূপ-চাকি জ্বলাই লখিমীক আৰাধনা কৰা হয়। ঘৰৰ যিগৰাকী সদস্যক তুলনামূলকভাৱে ভাগ্যৱান বুলি ভবা হয় তেওঁৰ দ্বাৰাই গুছি লোৱা পৰ্বটো সমাপন কৰা হয়। নিৰ্দিষ্ট সময়ত সেই লোকজনে গা-পা ধূই তিতি-বুৰি পথাৰলৈ গমন কৰে। পথাৰত উত্তৰ-পূব কোণত চাকি-বন্তি জ্বলাই কঠীয়াৰ মুঠিৰ পৰা তিনি গুছি কঠীয়া লৈ লখিমী দেৱীক স্মৰণ কৰি বাঁওহাতেৰে বোকাময় পথাৰত ৰুই দিয়ে। পৰৱৰ্তী সময়ত ৰোৱণীবোৰে ৰোৱে। পথাৰৰ উত্তৰ-পূবৰ চাকি-বন্তি জ্বলোৱা ঠাইখিনিত টকৌ গছৰ ডাল এটা পুতি দিয়াটো আন এক পৰম্পৰা। পৰৱৰ্তী সময়ত গুছি লোৱা উপলক্ষে ওচৰ-চুবুৰীয়াক পিঠা-পনা, মাহ-প্ৰসাদ বিতৰণ কৰা হয়। উল্লেখযোগ্য যে গুছি লোৱা লোকজনে সেইদিনা কোনো কাৰণত দিনৰ ভাগত শুব নোৱাৰে। গুছি লোৱা লোকজনে সেইদিনা শুলে হ’বলগীয়া ধানৰ গছবোৰ হেনো হালি পৰে। সেইবাবে পৰিয়ালৰ আন লোকসকলো কথাটোৰ প্ৰতি বেছ সচেতন হৈ থাকে।

**হাল উঠা :** এটা নিৰ্দিষ্ট সময়ত খেতিয়কসকল কৃষি কৰ্মৰ পৰা সাময়িকভাৱে আহৰি হয়। বিশেষকৈ খেতিৰ সকলোবোৰ মাটি চহ কৰাৰ পাছত, ভুঁই ৰোৱাৰ পৰৱৰ্তী সময়ত হাল বোৱাৰ কামটো একেবাৰে নাথাকে। এদিন-দুদিন অগা-পিছাকৈ প্ৰায় সকলো খেতিয়কৰ পথাৰত হাল বোৱা কাম শেষ হয়। হাল বোৱা শেষ হোৱা দিনটোত হাল উঠা পৰ্ব পালন কৰা হয়। খেতিৰ সময়ত প্ৰতিদিনে হাল বোৱাৰ পাছত গৰুহালক গা-ধুওৱা হয় যদিও ‘হাল উঠাৰ’ দিনা গৰু হালক ভালকৈ গা ধুওৱা হয়। হাল উঠা পৰ্বটো সাধাৰণতে সন্ধিয়া পাতে। সেইদিনা গাঁৱৰ সকলোকে নিমন্ত্ৰণ জনোৱা হয়— বিশেষকৈ হালোৱাসকলক। গোহালি ঘৰত চাকি-বন্তি জ্বলাই হালৰ গৰুহালক সেৱা-সৎকাৰ কৰা হয়। দিনতে ভালদৰে ধুই-পখালি থোৱা কেকোঁৰা নাঙলখনক উদ্দেশ্যি ধূপ-চাকি দিয়া হয়। পৰৱৰ্তীসময়ত উপস্থিত সকলোকে গৃহস্থৰ সাধ্য অনুযায়ী আপ্যায়ন কৰা হয়। একোখন গাঁৱত সাত-আঠদিন মানলৈ এই পৰ্ব চলিয়ে থাকে। আজিকালি ট্ৰেক্টৰ, পাৱাৰ টিলাৰ ব্যৱহাৰ কৰাৰ ফলত এই পৰ্ব প্ৰায় নাইকিয়া হৈ আহিছে।

**আগ অনা :** সেউজীয়া পথাৰখন আঘোণত সোণালী হয়। খেতিয়কৰ মুখত হাঁহি বিৰিঙে। দুখ-ভাগৰ নাইকিয়া হয়। লখিমীক ঘৰলৈ আদৰি অনাৰ প্ৰস্তুতি চলে। এই সময়তে ‘আগ অনা’ পৰ্ব পালন কৰা হয়। খেতিয়কে খেতি চপোৱাৰ উদ্দেশ্যে এই ‘আগ অনা’ পৰ্ব মানি চলে। সেইদিনাও ভঁৰাল ঘৰৰ সমুখত ধূপ-ধূনা, চাকি, নৈবেদ্য পাতি থোৱা হয়। যিয়ে ধানৰ আগ আনিব তেওঁ গা-পা ধুই খেতি পথাৰলৈ যায়। যাওঁতে এখন আগলতি কলপাত আৰু এখন কাঁচি লৈ যায়। পকি থকা ধাননিডৰাত আঁঠু লৈ সেৱা কৰি নিজ হাতেৰে তিনিগুছি ধান কাটি মুঠি বান্ধি আগলতি কলপাতখনত মেৰাই লয়। ধানৰ আগকেইটা সমুখৰ ফালে কৰি কলপাতখনেৰে সৈতে মূৰত লৈ ঘৰলৈ ৰাওনা হয়। ঘৰলৈ আহোতে পিছফালে চাব নালাগে। উভতি চালে লখিমী দেৱী অসন্তুষ্ট হয় বুলি লোকবিশ্বাস আছে। ঘৰ আহি পোৱাৰ পাছত কলপাত সহিতে ধানখিনি ভঁৰালত থোৱা হয়। তাৰ পিছত মাহ-প্ৰসাদ বিতৰণ কৰে। সেইদিনা এই পৰ্ব সম্পন্ন হোৱাৰ পাছৰে পৰা ধান দোৱা কাম আৰম্ভ হয়। ❖ (আগলৈ)

## পুথিভঁৰালৰ পুথি অধ্যয়ন টোকা

### পুথিৰ নাম : মুকুতামালা



**লিখক :**
**ভানু দেৱী**
**প্ৰকাশক :**
**অসম শিশু সাহিত্য ন্যাস**
**মূল্য : ৩৫.০০ টকা**
**প্ৰথম প্ৰকাশ : ২০১৩ চন**

এই পুথিখন পঢ়ি মোৰ বৰ ভাল লাগিল। এই পুথিখনত বহুকেইটা কাহিনী আছে। কাহিনীকেইটাৰ ভিতৰত মোৰ এটা কাহিনী বেছি ভাল লাগিল। সাধুটোৰ নাম—সময়ৰ মূল্য। বেঞ্জামিন ফ্ৰেংকলিন আমেৰিকা যুক্তৰাষ্ট্ৰৰ এজন বিখ্যাত ৰাজনৈতিক নেতা আছিল। তেওঁ এজন মহান বিজ্ঞানীও আছিল। তেওঁৰ এটা ছপাশাল আৰু এখন কিতাপৰ দোকান আছিল। এদিনৰ কথা। বেঞ্জামিন ফ্ৰেংকলিনৰ দোকানলৈ এজন ভদ্ৰলোক আহিছিল। ভদ্ৰলোকজনৰ ইখন-সিখনকৈ বহু কিতাপ চোৱাৰ পিছত এখন কিতাপ ভাল লাগিল। তেতিয়া দোকানখনত বেঞ্জামিন ফ্ৰেংকলিন নাছিল, তেওঁ ছপাশাললৈ গৈছিল। সেয়েহে দোকানখনত এজন কৰ্মচাৰী আছিল। ভদ্ৰলোকজনে কিতাপখনৰ কিমান দাম জানিব বিচাৰিলে। তেতিয়া কৰ্মচাৰীজনে কিতাপখনৰ দাম এক ডলাৰ বুলি ক'লে। ভদ্ৰলোকজনে কিতাপখনৰ দাম কমকৈ দিব বিচৰাত কৰ্মচাৰীজনে দোকানৰ মালিকক মাতি আনিলে। তেতিয়া বেঞ্জামিন ফ্ৰেংকলিনে সবিনয়ে ভদ্ৰলোকজনক অভিবাদন জনালে। ভদ্ৰলোকজনে ক'লে, 'এইবাৰ শেষবাৰৰ বাবে সুধিছো, কিতাপখন কিমান দামত দিব?' তেতিয়া বেঞ্জামিন ফ্ৰেংকলিনে ক'লে যে ডেৰ ডলাৰ দিব লাগিব। কাৰণ হিচাপে তেওঁ ক'লে যে মানুহজনে ফ্ৰেংকলিনৰ সময় অপব্যয় কৰিছে। তাৰ বাবদ তেওঁ আধা ডলাৰ বেছিকৈ দিব লাগিব। এইবুলি কৈ তেওঁ ছপাশাললৈ গুচি গ'ল। ❖

**■ চব্ৰিনা ৰহমান**
চতুৰ্থ শ্ৰেণী

### পুথিৰ নাম : আদিম যুগৰ আদি কথা



**লিখক :**
**ভুবনমোহন দাস**
**প্ৰকাশক :**
**অসম শিশু সাহিত্য ন্যাস**
**মূল্য : ২৫.০০ টকা**
**চতুৰ্থ প্ৰকাশ : ২০১৭ চন**

'আদিম যুগৰ আদি কথা' এই কিতাপখন পঢ়ি মোৰ বৰ ভাল লাগিল। ইয়াত পুৰণি কালৰ বহুত কথা আছে। যেনে, পুৰণি কালত মানুহ কেনেকুৱা আছিল, হিমালয় পৰ্বত কেনেদৰে সৃষ্টি হৈছিল, মানুহে কেনেদৰে ঘোঁৰা পুহিবলৈ শিকিলে, কেনেদৰে গৰু পুহিবলৈ শিকিলে, তেওঁলোকে কেনেদৰে ঘৰ সাজিবলৈ শিকিলে ইত্যাদি। এই কিতাপখনত লিখা আছে যে পুৰণিকালত মানুহ আজিৰ দৰে নাছিল। মানুহৰ দৰে প্ৰাণীহে আছিল, সেইবোৰক বনমানুহ বোলা হৈছিল। বনমানুহবোৰৰপৰাই মানুহৰ উৎপত্তি হৈছিল। এতিয়াও আমি চাৰিবিধ বনমানুহ দেখা পাওঁ। সেই চাৰিবিধ বনমানুহ হ'ল—গৰিলা, চিম্পাঞ্জী, গিবন বা হলৌ বান্দৰ আৰু ওৰাং। এই কিতাপখনত আৰু এটা ভাল কথা লিখা আছে যে পুৰণি কালত মানুহে বেৰত চিত্ৰ অংকন কৰিছিল। বেৰত চিত্ৰ অংকন কৰা পৃথিৱীৰ দুটা বিখ্যাত গুহাৰ নাম হ'ল—অজন্তা আৰু ইলোৰা। অসমৰ বাইহাটা চাৰিআলিতো এনে বেৰত অংকন কৰা চিত্ৰ পোৱা গৈছে। এইবোৰো কেইবাশ বছৰ পুৰণি। বাইহাটা চাৰিআলিৰ 'মদন কামদেৱ' মন্দিৰৰ বেৰত অংকন কৰা চিত্ৰ পৰ্যটকসকলৰ বাবে বৰ আকৰ্ষণৰ বিষয়। অজন্তা আৰু ইলোৰা এই দুটা গুহা ভাৰতৰ মহাৰাষ্ট্ৰৰ ঔৰংগাবাদত অৱস্থিত। গুহাৰ উপৰি আদিম কালত মানুহে শিল বা আন কঠিন বস্তুৰ ওপৰতো চিত্ৰ অংকন কৰিছিল। এই চিত্ৰবোৰৰপৰা আমি অতীত কালৰ বিভিন্ন কথা গম পাওঁ। ❖

**■ হিতাৰ্থ কাশ্যপ**
চতুৰ্থ শ্ৰেণী

# চুড'কু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ১৩৫

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 1 | | 5 | | 6 | | | |
| | | 4 | 1 | 8 | | | | 3 |
| | | 2 | 4 | | 9 | 5 | 6 | |
| 6 | | 1 | | | | 8 | 2 | 7 |
| | 4 | | | 2 | | | 5 | |
| 3 | 2 | 9 | | | | 1 | | 6 |
| | 9 | 7 | 3 | | 8 | 2 | | |
| 1 | | | | 9 | 5 | 7 | | |
| | | | 7 | | 4 | | 9 | |

## চুড'কু ১৩৬

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | 5 | | | | 7 | 2 | |
| 4 | | 8 | 3 | | 1 | 6 | | |
| 9 | 6 | | 7 | | | | 8 | 1 |
| | 2 | | | 3 | | 8 | 7 | |
| | | | 5 | | 6 | | | |
| | 1 | 3 | | 9 | | | 4 | |
| 3 | 5 | | | | 8 | | 6 | 2 |
| | | 9 | 4 | | 2 | 1 | | 7 |
| | 4 | 7 | | | | 9 | | |

## চুড'কু ১৩৩ আৰু ১৩৪ৰ সমাধান

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 4 | 6 | 3 | 1 | 8 | 5 | 2 | 7 | 9 |
| 5 | 2 | 7 | 3 | 9 | 4 | 8 | 6 | 1 |
| 9 | 1 | 8 | 2 | 6 | 7 | 3 | 5 | 4 |
| 3 | 5 | 9 | 7 | 1 | 8 | 4 | 2 | 6 |
| 6 | 7 | 2 | 9 | 4 | 3 | 1 | 8 | 5 |
| 8 | 4 | 1 | 6 | 5 | 2 | 7 | 9 | 3 |
| 7 | 3 | 5 | 4 | 2 | 9 | 6 | 1 | 8 |
| 2 | 8 | 6 | 5 | 3 | 1 | 9 | 4 | 7 |
| 1 | 9 | 4 | 8 | 7 | 6 | 5 | 3 | 2 |

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 4 | 7 | 3 | 2 | 5 | 9 | 6 | 1 | 8 |
| 2 | 5 | 6 | 8 | 7 | 1 | 4 | 9 | 3 |
| 1 | 9 | 8 | 3 | 6 | 4 | 5 | 7 | 2 |
| 3 | 1 | 7 | 4 | 8 | 6 | 2 | 5 | 9 |
| 6 | 2 | 5 | 1 | 9 | 7 | 3 | 8 | 4 |
| 9 | 8 | 4 | 5 | 2 | 3 | 1 | 6 | 7 |
| 5 | 4 | 9 | 7 | 1 | 2 | 8 | 3 | 6 |
| 8 | 6 | 2 | 9 | 3 | 5 | 7 | 4 | 1 |
| 7 | 3 | 1 | 6 | 4 | 8 | 9 | 2 | 5 |

# সাগৰৰ অঘৰী

■ জিতা গগৈ



চামা-বাজাও দক্ষিণ-পূব এছিয়াত বসবাস কৰা এটা সম্প্ৰদায়। এই সম্প্ৰদায়ৰ লোকসকলৰ বিশেষত্ব এয়ে যে তেওঁলোকে পানীত বসবাস কৰে। বাজাও লোকসকলৰ মূলসুঁতি কি এই বিষয়ে আজিও জনা নাযায়। তেওঁলোকে বছৰ বছৰ ধৰি পানীতে বসবাস কৰি আহিছে। সেয়ে তেওঁলোকক 'সাগৰৰ অঘৰী' বুলিও কোৱা হয়। অতীত কালত সাগৰত বসবাস কৰা অঘৰী সম্প্ৰদায় বহু আছিল যদিও বৰ্তমান চামা-বাজাও লোকসকলৰহে অস্তিত্ব আছেগৈ। বাজাও লোকসকল মূলতঃ ফিলিপিন্‌ছৰ দক্ষিণ-পূব দিশৰ সাগৰত বাস কৰে। ইয়াৰোপৰি তেওঁলোকৰ আন বসতিস্থল হ'ল চুলু সাগৰ, চেলেব সাগৰ আৰু চুলুৱেচি সাগৰৰ দাঁতিকাষৰীয়া অঞ্চল। তেওঁলোকে দ্বীপ আৰু সাগৰৰ পাৰৰ ওচৰত পানীৰ ওপৰতহে থাকে। তেওঁলোকে ঘৰবোৰ নাৱৰ ওপৰত সাজে। এনে ঘৰবোৰক তেওঁলোকৰ ভাষাত লেপাছ (Lepas) বুলি কয়। এই লোকসকলৰ কোনো স্থায়ী ঠিকনা নাই। সাগৰৰ এঠাইৰপৰা আন এঠাইলৈ পৰিভ্ৰমণ কৰি ফুৰে। সেইবাবে তেওঁলোকক অঘৰী বুলি কোৱা হয়। তেওঁলোকৰ ঘৰবোৰ নাৱৰ ওপৰত সজা বাবে যথেষ্ট সৰু হয়। সাধাৰণ ঘৰৰ দৰে সেই ঘৰবোৰত বেলেগ বেলেগ কোঠা নাথাকে। থকা, ৰন্ধা-বঢ়া, খোৱা-বোৱা, সকলো একেটা কোঠাতে হয়।

এই লোকসকলৰ কোনো দেশৰে নাগৰিকত্ব নাই। কিন্তু ইয়াক লৈ তেওঁলোক চিন্তিতও নহয়। তেওঁলোকৰ মুখ্য উদ্দেশ্য হৈছে সাগৰত মাছ ধৰা আৰু সেয়া সাগৰৰ ওচৰৰ উপকূলীয় অঞ্চলত বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰা। বাজাও লোকসকলে অতি সৰল জীৱন যাপন কৰে। ঘৰৰ পুৰুষসকলৰ দিনটোৰ মুখ্য কাম হ'ল ৰাতিপুৱা উঠি মাছ ধৰা আৰু সেয়া বজাৰত বেচিবলৈ যোৱা। মাছ বেচি যিমান উপাৰ্জন হয় সেই উপাৰ্জনৰ টকাৰে ঘৰৰ খাদ্যবস্তু আৰু অন্যান্য লাগতিয়াল সামগ্ৰী ক্ৰয় কৰে।

বাজাও লোকসকলৰ প্ৰত্যেকজন সাঁতোৰত পাকৈত। আঠ বছৰ বয়সলৈ প্ৰত্যেকেই সাঁতোৰত পাকৈত হৈ পৰে আৰু মাছ ধৰিবলৈ শিকে। এই সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীবোৰ কোনো বিদ্যালয়লৈ পঢ়িবলৈ নাযায় আৰু আনুষ্ঠানিক শিক্ষাও গ্ৰহণ নকৰে। তাৰ পৰিৱৰ্তে সাঁতুৰিবলৈ আৰু মাছ ধৰিবলৈ শিকে। কিছুমান বাজাও লোকে সাগৰৰ **২৩০** ফুট পৰ্যন্ত তললৈ ডুব মাৰিব পাৰে আৰু **১০** ৰপৰা **১৫** মিনিটলৈ পানীৰ তলত থাকিব পাৰে। দিনটোৰ মুঠ **৫** ঘণ্টাই তেওঁলোক সাগৰৰ পানীত থাকে। বাজাও লোকসকলৰ দৃষ্টিশক্তিও অতি তীক্ষ্ণ; যাৰ বাবে সাগৰৰ তলিলৈ গৈ মাছ ধৰা, অক্ট'পাছ তথা অন্যান্য সাগৰীয় প্ৰাণী, মুকুতা ইত্যাদি সংগ্ৰহ কৰিবলৈ সুবিধা হয়। এইবোৰ বিক্ৰী কৰিও তেওঁলোকে অৰ্থ উপাৰ্জন কৰে। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে কিছুমানে নাৱৰ পৰিৱৰ্তে সাগৰতে চাংঘৰ সাজি থাকিবলৈ লৈছে। তেওঁলোকে প্ৰায়ে মাছ আৰু সাগৰীয় তৃণ খায়। বাজাও লোকসকলৰ মাজত কেলেণ্ডাৰৰ ব্যৱহাৰ নাই। তেওঁলোকে চন্দ্ৰ, তৰাৰ স্থান, ঋতুৰ পৰিৱৰ্তন লক্ষ্য কৰি সময়ৰ হিচাপ ৰাখে। বাজাওসকলে 'চিনামা' (Sinama) ভাষা কয়। ফিলিপিন ভাষাৰ লগত এই ভাষাৰ মিল দেখা যায়। ❖

# এক ডজন মৌলৰ আৱিষ্কাৰক

■ ৰাণু বুজৰবৰুৱা



তোমালোকে পাঠ্যপুথিত মৌলৰ বিষয়ে পঢ়িছা। ইয়াৰে ৯২ বিধ প্ৰকৃতিত পোৱা যায়। বাকীবোৰ বিজ্ঞানাগাৰত সৃষ্টি কৰা। মৌলসমূহক অধ্যয়নৰ সুবিধাৰ বাবে এখন তালিকাত সন্নিৱিষ্ট কৰা হৈছে। এই তালিকাখনক মৌলৰ পৰ্যাবৃত্ত তালিকা বোলে। মৌলৰ পৰ্যাবৃত্ত তালিকাখনত বৰ্তমান মৌলৰ সংখ্যা ১১৮টা। ইয়াৰ ৯৫ ৰপৰা ১০৬ সংখ্যক স্থানলৈ থকা মৌলবোৰৰ এক বিশেষত্ব আছে। সেইটো হ'ল এই এক ডজন মৌলৰ আৱিষ্কাৰৰ লগত একেগৰাকী বিজ্ঞানী জড়িত আছিল। সেই মহান বিজ্ঞানীগৰাকী হ'ল এলবাৰ্ট ঘিৰচো (Albert Ghiorso)। উল্লেখনীয় যে তেওঁ ৰসায়নবিজ্ঞানৰ কোনো ধৰণৰ উচ্চ শিক্ষা লাভ কৰা নাছিল।

এলবাৰ্ট ঘিৰ্চোৰ জন্ম ১৯১৫ চনত আমেৰিকাৰ কেলিফ'ৰ্ণিয়াত। তেওঁ সৰুৰেপৰা উৰাজাহাজৰ ইঞ্জিন, ৰেডিঅ' আদিৰ নিৰ্মাণ কাৰ্যৰ লগত জড়িত হৈ পৰিছিল।

তেওঁ নিজৰ কৰ্মজীৱন আৰম্ভ কৰিছিল বিকিৰণ ধৰা পেলোৱা যন্ত্ৰ যোগান ধৰা ব্যৱসায়ৰ জৰিয়তে। পিছলৈ তেওঁ আমেৰিকাৰ বাৰ্কেলিত থকা বিকিৰণ গৱেষণাগাৰত যোগদান কৰে। তেৱেঁই পোনপ্ৰথমবাৰৰ বাবে ব্যৱসায়িক ভিত্তিত তেজস্ক্ৰিয় বিকিৰণ ধৰা পেলোৱা যন্ত্ৰ (Geiger countre) নিৰ্মাণৰ কাম আৰম্ভ কৰে। তেওঁৰ এই কাৰ্যই আণৱিক বিজ্ঞানী গ্লেন ছিবৰ্গৰ (Glenn Seaborg) দৃষ্টি আকৰ্ষণ কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ঘিৰছোৱে নৌবাহিনীত যোগদান কৰিবলৈ বিচাৰিছিল আৰু এই ক্ষেত্ৰত ছিবৰ্গৰ সহায় বিচাৰিছিল। কিন্তু ছিবৰ্গে তেওঁক চিকাগ'ত থকা গৱেষণাগাৰত যোগদান কৰিবলৈহে ক'লে। সেই সময়ত তাত মানহাট্টান প্ৰকল্পৰ (আণৱিক বোমা নিৰ্মাণ প্ৰকল্প) কাম চলি আছিল আৰু ঘিৰ্চো তাত জড়িত হৈ পৰে। ইয়াৰপৰাই তেওঁৰ জীৱনে নতুন গতি লয়। তেওঁ ছিবৰ্গৰ লগত লগ হৈ দুটা নতুন মৌল আৱিষ্কাৰ কৰে— আমেৰিচিয়াম (Americium) আৰু কুৰিয়াম (Curium)।


যুদ্ধৰ পিছত তেওঁ বাৰ্কেলি পৰীক্ষাগাৰলৈ উভতি আহে। তাত তেওঁ মৌলসমূহৰ পৃথকীকৰণ কৰি সেইবোৰৰ চৰিত্ৰ অধ্যয়ন কৰিব পৰা এটা আহিলা তৈয়াৰ কৰাৰ কামত মনোনিৱেশ কৰে। পৰৱৰ্তী সময়ত ঘিৰ্চো আৰু ছিবৰ্গে আন গৱেষকসকলৰ লগত লগ লাগি নতুন গধুৰ মৌল সৃষ্টি কৰিবলৈ সক্ষম হয়। ১৯৪৫ চনৰপৰা ১৯৫৫ চনৰ ভিতৰত তেওঁলোকে বাৰ্কেলিয়াম (Berkelium), কেলিফ'ৰ্ণিয়াম (Californium), আইনষ্টাইনিয়াম (Einstenium), ফাৰ্মিয়াম (Fermium) আৰু মেণ্ডেলিভিয়াম (Mendelevium) নামৰ মৌলকেইটা আৱিষ্কাৰ কৰে।

বাৰ্কলিত কণিকা ত্বৰক যন্ত্ৰ নামৰ এটা আহিলাৰ সহায়ত তেওঁ সহযোগীসকলৰ লগ লাগি পুনৰ ৫টা নতুন মৌল আৱিষ্কাৰ কৰে। সেইকেইটা হ'ল ন'বেলিয়াম (Nobelium), লৰেনচিয়াম (Lawrencium), ৰাডাৰফ'ৰ্ডিয়াম (Rutherfordium), ডুবনিয়াম (Dubnium) আৰু ছিবৰ্গিয়াম (Seaborgium) এনেদৰে মুঠ ১২টা নতুন মৌল আৱিষ্কাৰত ঘিৰ্চো জড়িত হৈ আছিল। এই মহান বিজ্ঞানীগৰাকীৰ মৃত্যু হয় ২০১০ চনত ৯৫ বছৰ বয়সত। মন কৰিবলগীয়া কথাটো হ'ল পৰ্যাবৃত্ত তালিকাত তেওঁ আৱিষ্কাৰ কৰা প্ৰথম মৌলটোৰ স্থানো আছিল ৯৫ সংখ্যক। ❖

# মানসিক সামৰ্থ্য বিকাশ


■ ৰবীন্দ্ৰ বৰ্মন

1. কাষৰ চিত্ৰটোত কেইটা ত্ৰিভুজ আছে?




a) 4 b) 5 c) 6 d) 8

2. কাষৰ চিত্ৰটোত কেইটা ত্ৰিভুজ আছে?



a) 6 b) 8 c) 9 d) 12

3. কাষৰ চিত্ৰটোত কেইটা ত্ৰিভুজ আছে?




a) 15 b) 18 c) 20 d) 24

4. তলৰ অনুক্ৰমটোৰ '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

8, 10, 20, 23, 69, 73, ?

a) 372 b) 296 c) 315 d) 292

5. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?




a) 58 b) 34 c) 36 d) 46

6. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

| | | |
|---|---|---|
| 1 | 6 | 14 |
| 2 | 10 | ? |
| 3 | 15 | 36 |

a) 32 b) 28 c) 26 d) 24

**উত্তৰসমূহ :** 1. c [ইংগিত : (1 + 2 + 3 = 6)] 2. d [ইংগিত : (1 + 2 + 3) × 2 = 12]
3. b [ইংগিত : (1 + 2 + 3) × 3 = 18]
4. d 5. b 6. d

# বাংগাছৰ নুমলীয়া নাতি

■ অলকা গোস্বামী



মোগল সাম্রাজ্যৰ গৌৰৱ ৰবি তেতিয়াও মাৰ যোৱা নাছিল। দিল্লী-আগ্ৰা-লক্ষ্ণৌ তেতিয়াও সংগীত শিক্ষা আৰু চৰ্চাৰ 'মক্কা' হৈয়েই আছিল। প্ৰতিভাশালী শিল্পীসকলে তেতিয়াও সংগীতৰ জৰিয়তে কষ্ট কৰি হ'লেও পেটৰ ভাতমুঠি যোগাৰ কৰিব পৰা অৱস্থাত আছিল।

তেনে সময়তে সুদূৰ আফগানিস্তানৰপৰা জীৱিকাৰ সন্ধানত ভাৰত ওলাইছিলহি মহম্মদ হাছমি খান বাংগাছ নামৰ এগৰাকী ব্যক্তি। হাতত তেওঁৰ তেতিয়াৰ আফগানিস্তানৰ এবিধ লোকবাদ্য, নাম 'ৰবাব'—তেওঁৰ একমাত্ৰ সম্পত্তি। ভাৰতৰ মাটিয়ে এনে বহু উপান্তকে আশ্ৰয় দিছে, ভাত দিছে—'ৰবাবী' হাছমি খান বাংগাছকো দিলে। সময়ত গৈ তেওঁ ভাৰতৰে এজন হৈ পৰিল। তেওঁৰ ৰবাবত ঝংকাৰিত হ'বলৈ ল'লে হাজাৰ হাজাৰ বছৰীয়া ভাৰতীয় মাৰ্গীয় সংগীত : তানসেনে যাক ৰাজকীয় মৰ্যাদা দি গৈছে ইতিমধ্যে।

হাছমি খানে সুদূৰ আফগানিস্তানৰপৰা লৈ অহা সেই ৰবাবৰে আধুনিক ৰূপ সৰোদ। হয়, আজিৰ ভাৰতত সৰোদ আৰু সৰোদিয়া বুলিলেই যাৰ নাম মনলৈ আহে সেই ওস্তাদ আমজাদ আলী খান এইগৰাকী ৰবাবী হাছমি খানৰে উত্তৰ পুৰুষ, ষষ্ঠ প্ৰজন্মৰ।

ৰবাবে সৰোদৰ ৰূপ লয় আমজাদ আলি খানৰ পিতৃ ওস্তাদ হাফিজ আলি খানৰ হাততে। হাফিজ আলি খানৰ আজীৱন সাধনাৰ ফল সৰোদত প্ৰতিষ্ঠা লাভ কৰে তেওঁৰ পুত্ৰ আমজাদ আলি খানে। যাৰ সংগীত প্ৰতিভা সম্পৰ্কে কাৰোৰেই দ্বিমত নাই। ১৯৪৫ চনত জন্মলাভ কৰা আমজাদে পিতৃৰ হাতত ধৰি, গুৰু-শিষ্য পৰম্পৰাতেই সংগীত শিক্ষা লাভ কৰিছিল। সাম্প্ৰতিক সময়ছোৱাত ভাৰতত সংগীত-ঘৰানাবোৰৰ ব্যাপক বিলুপ্তি ঘটিছে। ইয়াৰ প্ৰধান কাৰণ ঘৰানা পৰিয়ালবোৰত সংগীতৰ প্ৰতিভাশালী উত্তৰসূৰী নোলোৱা তথা সংগীত এৰি আন জীৱিকা গ্ৰহণ কৰা। বাংগাছ পৰিয়াল তেনে সংকটৰ সন্মুখীন হোৱা নাই। সপ্তম প্ৰজন্মতো সংগীতৰ পৰম্পৰা জীয়াই ৰাখিবৰ বাবে ইতিমধ্যে ওলাই আহিছে আমজাদৰ দুই পুত্ৰ আমান আৰু আয়ান।


সপ্তম প্ৰজন্মলৈ বাংগাছ পৰিয়ালৰ পৰম্পৰা বোৱাই নিয়াৰ কৃতিত্ব কিন্তু এই পৰিয়ালৰ সৈতে বৈবাহিক সূত্ৰে অভিন্ন হৈ পৰা শুভলক্ষ্মী বৰুৱা খানৰ। ওস্তাদ আমজাদ আলী খানৰ পত্নী শুভলক্ষ্মী বৰুৱা অসমৰ জীয়ৰী; এগৰাকী কৃতি শাস্ত্ৰীয় শিল্পী। শুভলক্ষ্মী বৰুৱা অবিহনে হয়তো সংগীত জগতত আমজাদ আৰু তেওঁৰ দুই পুত্ৰই লাভ কৰা সফলতা বহুলাংশে কম হ'লহেঁতেন।

এক বৰ্ণিল সাংস্কৃতিক পৰিবেশত ডাঙৰ হৈছে বাংগাছ পৰিয়ালৰ নুমলীয়া নাতি দুগৰাকী। মাতৃৰ সৌজন্যত অসমীয়া পাৰিবাৰিক পৰম্পৰা তেওঁলোকৰ মজ্জাগত, আনকি ঘৰত অসমীয়াত কথাও পাতে। পিতৃৰপৰা আহিছে উৰ্দু ভাষা আৰু পাৰ্চী পৰম্পৰা। হিন্দী তেওঁলোকৰ মাতৃভাষা। আমান-আয়ান কোৰাণৰ 'আয়াত' পাঠত যিমান দক্ষ, সমানেই দক্ষ সংস্কৃত শ্লোকৰ আবৃত্তিতো। হিন্দু ধৰ্মৰ আচাৰ-নীতিখিনিও দুয়ো ভালদৰেই জানে। আয়ানে ভাল ছবিও আঁকে। গান নিশিকিলে হয়তো তেওঁ চিত্ৰকৰেই হ'লহেঁতেন।

আমজাদ-আয়ান-আমানৰ সংগীত প্ৰতিভাৰে সংগীতক নিজৰ নিজৰ মতে আৰু সামূহিকভাৱে সংৰক্ষিত আৰু প্ৰচাৰ কৰিবলৈ আমজাদে গঠন কৰিছে তেওঁৰ নিজস্ব সংগীত কোম্পানী। নাম 'বাংগাছ মিউজিক'। ❖

# এনিমেছনৰ ইতিহাস

■ জিৰি বৰ্মন



এনিমেছন (Animation) হৈছে স্থিৰ চিত্ৰৰ এটা ক্ৰম, যাক বিশেষ প্ৰক্ৰিয়াৰে লক্ষ্য কৰিলে দৃষ্টিভ্ৰম হৈ গতিশীল যেন লাগে। সহজ অৰ্থত ইয়াক 'চলমান চিত্ৰ' বুলি ক'ব পাৰি।

লেটিন ভাষাৰ শব্দ এনিমা (anima : আত্মা)ৰ ক্ৰিয়াবাচক শব্দ হৈছে এনিমেট (Animate)। ইয়াৰ অৰ্থ আত্মা দান কৰা অৰ্থাৎ জড় বস্তু এটাত প্ৰাণ প্ৰতিষ্ঠা কৰা। এনিমেছনতো জড় বা স্থিৰ চিত্ৰক গতিশীল কৰি প্ৰাণ দিয়া হয় বাবেই ইয়াক এনিমেছন বোলা হয়।

স্থিৰ চিত্ৰক গতিশীল কৰাৰ প্ৰচেষ্টা অতীজৰেপৰা চলি আহিছে। **৩৫,০০০** বছৰ আগৰ গুহা চিত্ৰত অঁকা জন্তুৰ চাৰিখন ঠেঙৰ ঠাইত আঠখন ঠেং আঁকি গতিশীল ৰূপত প্ৰকাশ কৰাৰ চেষ্টা কৰা হৈছিল। খ্ৰী.পূ. **১৬** শতিকাত নিৰ্মাণ কৰা ইজিপ্তৰ দেৱী আইছিছৰ মন্দিৰত **১১০**টা স্তম্ভ আছিল। প্ৰতিটো স্তম্ভতে দেৱীৰ এটা ভংগিমাক সময়ৰ হিচাপত পৰিৱৰ্তন কৰি অঁকা ছবি আছিল। কোৱা হয় যে বেগেৰে যোৱা ঘোঁৰাচালকে দেৱীৰ ভংগিমা সলনি হৈ থকা দেখিবলৈ পাইছিল। অতীতত গ্ৰীকসকলেও মাটিৰ গোলাকাৰ পাত্ৰৰ চাৰিওফালে ক্ৰমান্বয়ে সলনি হোৱা ভংগিমাৰ মানুহৰ ছবি আঁকিছিল। পাত্ৰটো জোৰেৰে ঘূৰালে মানুহজনে লৰচৰ কৰা যেন দেখা গৈছিল।

চলচ্চিত্ৰৰ আগতে পৰ্দাত ডাঙৰকৈ ছবি প্ৰক্ষেপ কৰাৰ প্ৰক্ৰিয়া আৱিষ্কৃত হৈছিল। **১৬৪০** চনত এথ'নেছিয়াছ কাৰ্চাৰ নামৰ এজন লোকে (Athonasius kircher) 'মেজিক চাকি' নামৰ এটা যন্ত্ৰ সাজি উলিয়ায়। কাচত ছবি আঁকি সেই ছবি মেজিক চাকিৰ জৰিয়তে তেওঁ পৰ্দাত প্ৰক্ষেপ কৰি দেখুৱাইছিল। তেওঁ একেখন কাচতে মেল খাই থকা মানুহৰ মুখ আৰু নিগনি এটাৰ ছবি আঁকিছিল। এডাল ৰছীৰ সহায়ত এই ছবি থকা কাচখন বেগেৰে অনা-নিয়া কৰি থাকিলে নিগনিটো মানুহজনৰ খোলা মুখেৰে সোমাই যোৱা যেন লাগিছিল।

থ'মাট্ৰ'প (Thaumatrope) নামৰ আহিলাবিধো আছিল এনে এটা খেল্‌না। এখন ডাঠ কাগজৰ কাঁহীৰ দুটা মূৰে দুডাল সূতা বন্ধা আছিল আৰু কাগজখনৰ দুয়োফালে দুটা বেলেগ বেলেগ ছবি আঁকি থোৱা আছিল। যেনে, এফালে এটা পিঞ্জৰা, আনফালে এটা চৰাই। ৰছীডাল পকাই পকাই টানি দিলে কাঁহীখন ঘূৰিবলৈ আৰম্ভ কৰিছিল আৰু চৰাইটো পিঞ্জৰাৰ ভিতৰত সোমাই পৰা যেন লাগিছিল। ফেনাকিষ্ট'স্কোপো (Phenakistoscope) একে নীতিৰে তৈয়াৰী আন এবিধ খেলৰ সামগ্ৰী।

আন এবিধ উল্লেখনীয় সঁজুলি আছিল জুট্ৰ'প (Zoetrope)। ইয়াক 'জীৱনৰ চকৰি' বুলিও কোৱা হৈছিল। **১৮৬৭** চনত আমেৰিকাত এইবিধ খেল্‌নাৰ প্ৰচলন হয়। দীঘল কাগজৰ টুকুৰাত গতিৰ এটা ক্ৰমৰ কোনো বস্তুৰে ছবি আঁকি এটা চুঙাৰ ভিতৰত লগোৱা হৈছিল। সেই চুঙাটোত কিছুমান দীঘলীয়া ফুটা আছিল। চুঙাটো জোৰেৰে ঘূৰাই সেই ফুটাৰে চালে ভিতৰৰ ছবিখনে গতি লৈছিল।

**১৮৬৮** চনত বজাৰলৈ আহে আন এবিধ খেলনা, ফ্লিপাৰ বুক (Flipper Book)। আন খেল্‌নাবোৰৰ ভিতৰত ইয়েই আছিল আটাইতকৈ সৰল আৰু জনপ্ৰিয়। ইয়াত এটা ক্ৰমৰ কেইবাখনো ছবি ক্ৰম অনুসাৰে এফালে বান্ধি থোৱা থাকে। আনটো ফালে ছবিৰ দমটোৰ কাষত ধৰি বেগেৰে এখন এখনকৈ লুটিয়ালে ছবিখনে গতি কৰা দেখা গৈছিল।

উল্লেখনীয় যে এই সময়লৈকে সদায় হাতে অঁকা ছবিহে ব্যৱহাৰ কৰা হৈছিল। কেমেৰাৰ আৱিষ্কাৰ হৈছিল যদিও এনেবোৰ খেলনাৰ বাবে কেমেৰাৰে তোলা ছবি ব্যৱহাৰ কৰা নহৈছিল। থমাছ আলভা এডিছন আৰু তেওঁৰ সহযোগী উইলিয়াম ডিক্‌ছন—দুয়োজনে ক্ৰমিক ছবি প্ৰস্তুত কৰাৰ বাবে কাইনেট'গ্ৰাফ (Kinetograph) আৰু সেই ছবি চলমান অৱস্থাত চোৱাৰ বাবে কাইনেট'স্কোপ (Kinetoscope) নামৰ এবিধ যন্ত্ৰ উদ্ভাৱন কৰে। এই যন্ত্ৰত থকা এটা ফুটাৰে এবাৰত এজন ব্যক্তিয়েহে ছবি চাব পাৰিছিল। এই অসুবিধা আঁতৰ কৰিবলৈ এডিছনে এটা প্ৰজেক্টৰ নিৰ্মাণ কৰে আৰু নাম দিয়ে ভিটাস্কোপ (Vitascope)।

**১৮৯৬** চনত নিউয়ৰ্কৰ এখন বাতৰিকাকতৰ কাৰ্টুনিষ্ট জেমছ ষ্টুৱাৰ্ট ব্লেকটনে (James Stuart Blackton) এটা সাক্ষাৎকাৰৰ বাবে এডিছনৰ ওচৰলৈ যায়। তাতেই ছবি অঁকাত ব্লেকটনৰ দক্ষতা দেখি তেওঁক এলানি ছবি আঁকিবলৈ অনুৰোধ কৰে। সেই ছবিলানিৰ এডিছনে ফটো তুলি ৰাখে। সেয়াই আছিল ফটোগ্ৰাফী আৰু ছবিৰ প্ৰথম সংযোগ। **১৯০৫** চনত তেওঁলোক দুয়োজনে 'হিউমাৰাচ ফেজেচ অব্ ফানী ফেচেচ' (Humorous Phases of Funny Faces) নামৰ এখন চলচ্চিত্ৰ নিৰ্মাণ কৰে। ইয়াৰ বাবে প্ৰায় **৩০০০** খন ছবি অঁকা হৈছিল। মানুহে এই নতুন পৰীক্ষা দেখি অভিভূত হৈ পৰিছিল। এয়াই আছিল আধুনিক এনিমেছনৰ আৰম্ভণি।

এবছৰ পিছত এমিল ক'লে (Emile Cohl) নিৰ্মাণ কৰি উলিয়ায় আন এখন এনিমেছন ছবি। এইখন প্ৰথম পেৰিছত প্ৰদৰ্শিত হৈছিল। ক'লা পৃষ্ঠাত বগা ৰঙেৰে অঁকা ছবিৰে ইয়াত এটা সম্পূৰ্ণ কাহিনী দেখুওৱা হৈছিল। চৰিত্ৰসমূহৰ বাহিৰেও বিজুলী খুঁটা, ঘৰ আদিয়েও ইয়াত লৰচৰ কৰিছিল, চৰিত্ৰসমূহ সুখী বা দুখীও হৈছিল। এই ছবিখনতে এনিমেছনৰ সফল প্ৰয়োগৰ আৰম্ভণি হৈছিল।

কমিক্‌চ শিল্পী ৱিনছৰ মেক্‌কেই (Winsor McCay) এনিমেছনক এটা কলা হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছিল। তেওঁ কেবাখনো এনিমেছন ছবি নিৰ্মাণ কৰিছিল। এই ছবিবোৰ জনপ্ৰিয় হৈছিল আৰু কলাত্মক দিশতো আগবঢ়া আছিল। ❖

# তোমালোকৰ বাবে প্ৰশ্ন

১। **১৯৬২** চনত দিল্লী বিশ্ববিদ্যালয়ৰপৰা প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানলৈ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা অসমীয়াজনে কেম্‌ব্ৰিজ বিশ্ববিদ্যালয়ৰপৰা পি এইচ ডি ডিগ্ৰী লাভ কৰিছিল। কোন তেওঁ?

২। আটাইতকৈ চুটি অসমীয়া চিনেমাখন ভবেন দাসে পৰিচালনা কৰিছিল। ভূপেন হাজৰিকাই সংগীত পৰিচালনা কৰা এই চিনেমাখনৰ নাম কি?


৩। একেটা নামত দুবাৰ নিৰ্মাণ হোৱা প্ৰথমখন অসমীয়া চিনেমাৰ নাম কি?

৪। ইতিহাসবিদ ৰাজমোহন নাথৰ মতে অসমৰ কোনখন জিলাৰ নামটো কুকি শব্দ হালেম (সৰু ৰাজ্য) আৰু বড়ো-কছাৰী শব্দ কুন্দিয়া (স্থায়ীভাৱে খেতি কৰা মাটি)ৰ সংমিশ্ৰণত সৃষ্টি হৈছে?

৫। বিষ্ণুপুৰী সন্ন্যাসী ৰচিত কোনখন গ্ৰন্থ দেখি শংকৰদেৱে সেইখন আগেয়ে পোৱা হ'লে 'ভক্তি ৰত্নাকৰ' গ্ৰন্থখন সংকলন নকৰিলেও হ'লহেঁতেন বুলি মন্তব্য কৰিছিল? ❖



চামা বাজাও



গুহাৰ বাগিচা

# অসমৰ ফল শীৰ্ষক লেখাটোৰ লগত সম্পৰ্কিত ছবি



নগাটেঙা



নবা বগৰী



বহঁত বা চাম